শ্ৰী মতী ৰেনুকাদেৱী বৰকটকী ঃ উপাধ্যক্ষ মহোদয়, যুৱক কংগ্ৰেছ বুলিয়েই কম বাকো। যোৱা গুৱাহাটীৰ পৌৰসভাৰ নিৰ্ব্বাচনত এওঁলোকক প্ৰতিদ্বন্দিতা কৰিবৰ কাৰণে ১৪ খন আসন দিয়া হৈছিল কিন্তু তাৰ ভিতৰত মাত্ৰ দজনহে গুৱাহাটী পৌৰসভাৰ মজিয়াত বহিবৰ কাৰণে সমৰ্থন পাইছে। মই এইখিনিতে এটা উদাহৰণ দিব খুজিছোঁ যে, ভাৰতৰ ভূতপূৰ্ব্ব বিত্তমন্ত্ৰী শ্ৰী মোৰাৰজী দেশাইৰ দিনত তেওঁৰ পুতেকৰ কাৰণেই কুখ্যাতি অৰ্জ্জন কৰিব লগা হৈছিল। সেইদৰে উত্তৰ প্ৰদেশৰ শ্ৰী কমলাপতি ত্ৰিপাঠীয়ে বোৱাৰীয়েকৰ কাৰণে, ইয়াৰ আগৰ মুখ্যমন্ত্ৰীয়ে নিজৰ খুড়শালীয়েকৰ কাৰণে আৰু এতিয়া এই মুখ্যমন্ত্ৰীৰ দিনত বেতাকা-বেতিকীৰ ৰাজত্ব চলিছে।

( ভইচ্ ঃ নেহেৰুজীৰ ছোৱালীয়েও দেখোন ৰাজত্ব চলাইছে ? )

শ্ৰী মতী ৰেনুকাদেৱী বৰকটকী ঃ নেহেৰুজীৰ ছোৱালীয়ে চলোৱাৰ দৰে মুখ্য মন্ত্ৰী হলে মুখ্যমন্ত্ৰীৰ পিতেকো মুখ্যমন্ত্ৰী হ'ব।

উপাধ্যক্ষ মহোদয়, মই আৰু এটা অভিযোগৰ বিষয়ে মাননীয় সদস্য সকলৰ আগত ডাঙি ধৰিব বিচাৰিছোঁ যিটো অভিযোগত আমাৰ চৰকাৰৰ তথা কেন্দ্ৰীয় চৰকাৰৰ কেইজনমান মুৰব্বী লোক জৰীত হৈ আছে আৰু এই ঘটনাৰ লগতে বা এই ঘটনাৰ অন্তৰালত এটা বিৰাট অভিসন্ধি চলি আছে যি অভিসন্ধিৰ দ্বাৰা অসম চৰকাৰৰ তথা ৰাইজৰ হাজাৰ হাজাৰ টকা অপব্যয় কৰাৰ কাৰণে এটা ব্যৱস্থা চলি আছে। ইয়াৰ আগৰে বিধান সভাৰ অধিবেশনত মাননীয় সদস্য দুলাল বৰুৱা ডাঙৰীয়াই এই বিষয়ে উত্থাপন কৰিছিল।

শ্ৰী ৰেনুকা দেৱী বৰকটকী ঃ এই ঘটনাৰ অন্তৰালত কিবা এটা অভিসন্ধি চলি আছে বুলিহে মই সন্দেহ কৰিছোঁ, মই এতিয়া অভিযোগ অনা নাই।

মোৰ সন্দেহ হৈছে ইয়াৰ অন্তৰালত এটা কু-অভিসন্ধি চলি আছে, এই নিগমৰ মাটি অধিগ্ৰহন কৰাৰ সম্পৰ্কত মাননীয় সদস্য শ্ৰী দুলাল চন্দ্ৰ বৰুৱা ডাঙৰীয়াই ইয়াৰ আগৰ অধিবেশনত ডাঙি ধৰিছিল যে মাটি অধিগ্ৰহন কৰাৰ সংক্ৰান্তত নানা ধৰণৰ বেমেজালি আছে কিন্তু সেই কথা চৰকাৰে নজনালে। এই বিধান সভাত থকা কোনো সদস্য আৰু মন্ত্ৰীৰ বিৰুদ্ধে মই অভিযোগ কৰা নাই।

অসম চৰকাৰৰ ভূতপূৰ্ব আৰু বৰ্ত্তমান কেন্দ্ৰীয় চৰকাৰৰ মন্ত্ৰী এগৰাকীৰ শ্বিলং গুৱাহাটী ৰোডৰ কাষত থকা এডোখৰ মাটি অসম ইন্দ্ৰাষ্টিয়েল ডেভেলেপমেণ্ট কোৰপৰেশ্যনৰ নিগম প্ৰতিস্থা কৰাৰ কাৰণে অধিগ্ৰহন কৰা হ'ল। 'আসাম ফাইনেন্সিয়েল কোৰপৰেশ্যনে' সেই টকা উদ্যোগ পামক দিলে কিন্তু সেই পইচা সঠিক নে বেঠিক কামত খৰচ কৰিলে তাৰ খবৰ নাপাও যদিও জনাত সেই মাটি ডোখৰ পুখুৰীৰ মাটি আছিল আৰু সেই মাটি কঠাত ১৪ হাজাৰকৈ বিক্ৰী যৈছিল, মাটিৰ পৰিমান আছিল ১৯ কঠা, 'মিউটেশ্যন' কেচ চলি থকা অৱস্থাতে সেই মাটি ডোখৰৰ বন্দোৱস্তী চলি আছে। সেই উদ্যোগ পাম খনত যিবিলাক নিয়োগ সম্পৰ্কীয় কথা-বতৰা চলি আছে সেই মতে দেখা যায় সেই নিয়োগ নীতি যেন একেবাৰে ৰাজনৈতিক নিয়োগ, নীতি, তাত আনকি দিল্লী আৰু কলিকতাৰ পৰাও মানুহক মাতি আনি নিয়োগ কৰা হৈছে। সেই মন্ত্ৰী গৰাকীয়ে লিখা এখন চিঠিৰ পৰা মই পঢ়ি দিব বিচাৰিছোঁ, কেনেকৈ অসম চৰকাৰৰ ধন কেনে ধৰণে অপব্যয় কৰিছে আৰু সেই মাটি অধিক দামত বিক্ৰী কৰোৱাৰ কাৰণে কিভাৱে ৰাজনৈতিক নীতিৰ সুবিধা লৈছে আৰু কেনেকৈ মিউটেশ্যন কেচ সম্পূৰ্ণ কৰি কেনেকৈ সোনকালে টকা-পইচা খিনি পাই তাৰ ব্যৱস্থা কৰিছে। সেই মাটি বিক্ৰী কৰাৰ সংক্ৰান্তত তেখেতৰ পৰিবাৰে লিখিছিল যাতে এফ, চি, আই য়ে সেই মাটি ডোখৰ অধিক দামত কিনে আৰু দি, চিক কৈ সেই মাটি ডোখৰ পুখুৰীৰ মাটি হোৱা স্বত্বেও কঠাত ১৪ হাজাৰত ফিকস্‌দ কৰিলে। সেই মাটি ডোখৰ লোৱাৰৰ কাৰণে ইখনৰ পিছত সিখন কৈ কিমান চিঠি চৰকাৰী বিষয়ালৈ লিখা হৈছিল সেই বিলাক মই পঢ়ি দিছোঁ।

চাৰ, এই খিনিৰ পিচত কব খুজিছো যে আজি মাটিৰ মিউটেচন কেচ আমাৰ হাতত নাই বুলি এইটো চিক্ৰেট ৰাখিবলৈ কৈছে। ইয়াত তেনেদৰেই লিখিছে। তেখেতৰ নিজৰ ভাষাতে লিখিছে যে বিধান সভাৰ বৈঠক বহি থকা কাৰণে এইটো গোপনীয় হিচাবে ৰাখিছে।

আনহাতে চাৰ, যিজন চৰিফুল হক পি-ডব্লিউ-ডিৰ এচ-ডি-অৰ কাৰণে কন্দা-কটা কৰিছে তেওঁ বহুত বিলাক দুৰ্নীতিত লিপ্ত আছে। ১৯৬৪ চনত কাছাৰত থকা সময়ত এই বিষয়া জনৰ বিৰুদ্ধে দূৰ্নীতিৰ অভিযোগ আছে।

এক্সি'কিউটিভ ইঞ্জিনিয়াৰ শ্ৰী হিৰণ্য কুমাৰ গোস্বামীয়ে তদন্ত কৰি দূৰ্নীতিৰ অভিযোগত দোষী সাব্যস্ত কৰিছিল আৰু অসম লোক সেৱা আয়োগলৈ লিখিছিল শাস্তি দিবলৈ আৰু তেওঁক ৰিমোভ কৰিবলৈ লোক সেৱা আয়োগে ফাইনেল ৰিপোৰ্ট দিয়াৰ পিচত একো কৰা হোৱা নাই। আকৌ ভিজিলেন্স কমিচনাৰলৈ পঠিওৱা হ'ল আৰু ভিজিলেন্স কমিচনে মেজৰ পানিচমেণ্টৰ দিহা দিলে যদিও নতুন মন্ত্ৰী সভাৰ এজন মন্ত্ৰীয়ে আকৌ ...

উপাধ্যক্ষ ঃ চৰ্ট কৰক।

শ্ৰী মতী ৰেনুকাদেৱী বৰকটকী ঃ হৈছেই। ইয়াতকৈ বেছি কব নালাগে। বহুত কৈছো। সময়ো বেছি নলও আৰু। নতুন মন্ত্ৰী সভাৰ গড়কাপ্তানী বিভাগৰ মন্ত্ৰী লুটফুৰ ৰহমান চাহাবে বিষয়টো পঠিয়ালে আইন বিভাগলৈ অভিযোগ বিলাক ৰি-ইনভেষ্টিগেট কৰাৰ ব্যৱস্থা আছে নেকি সুধি পঠিয়াইছে। ১৯৬৪ চনৰ পৰা তুটা কমিচনেই হল যি কমিচনৰ সাধাৰণ এটা পেনৰ খোচৰ কাৰণে শ-শ লোকৰ চাকৰি গল, শ-শ লোকৰ ইনক্ৰিমেণ্ট বন্ধ হৈছে, শ-শ লোকৰ প্ৰমোচন হেলড আপ হৈ আছে তেনেকুৱা তুটাকৈ কমিচনৰ এটাই কৈছে বৰ্খাস্ত কৰিবলৈ আৰু এটাই কৈছে গুৰুতৰ শাস্তি বিহিৰলৈ কিন্তু এতিয়া আকৌ সেই ফাইলটো গড়কাপ্তানী বিভাগৰ মন্ত্ৰী চাহাবে পঠিয়াইছে আইন বিভাগলৈ। মুখ্যমন্ত্ৰী ডাঙৰীয়াই এটা ভিজিলেন্স চেল খুলিছে প্ৰশাসনীয় ক্ষেত্ৰত থকা দূৰ্নীতি বিলাক আঁতৰাবলৈ এইটো ভাল কথা। কিন্তু হিটলাৰৰো এটা ভিজিলেন্স চেল আছিল আৰু সেই চেলৰ সহায়ত তেওঁৰ ৰাজনৈতিক অপ'নেণ্ট বিলাকক শেষ কৰিছিল। কেৱল প্ৰশাসনীয় দূৰ্নীতি আঁতৰায়েই ক্ষান্ত নাথাকি ৰাজনৈতিক অপ'নেণ্ট বিলাককো শেষ কৰাত সেই ভিজিলেন্স চেলে সহায় কৰিছিল। মই আশাকৰো যিটো আমাৰ মুখ্যমন্ত্ৰীৰ ভিজিলেন্স চেল সেইটো যাতে এনে ভাৱে ব্যৱহাৰ কৰা নহয়। কিন্তু মুখ্যমন্ত্ৰী ডাঙৰীয়াই দিয়া হিচাব মতে দেখা গৈছে এই ভিজিলেন্স চেলৰ নিৰ্দ্দেশ মতে বহুতো চৰকাৰী বিষয়াক কাৰোবাক বৰ্খাস্ত কৰি ৩-৪ মাহ ৰখাৰ পিচতো তেওঁলোকৰ বিৰুদ্ধে চাৰ্জ-চীট কৰিব পৰা নাই। অকল গড়কাপ্তানী বিভাগতেই কেৱল কাগজৰ খবৰৰ ওপৰত ভিত্তি কৰি বহুত বিষয়াক বৰ্খাস্ত কৰা হৈছে কিন্তু তেওঁলোকৰ বিৰুদ্ধে চাৰ্জচীট দিবলৈ কিমান সময় লাগেৱা আৰু? অথচ বৰ্খাস্ত কৰা বিষয়া সকলৰ চাৰ্জচীট তৈয়াৰ কৰিব নোৱাৰালৈকে তেওঁবিলাকক

সম্পূৰ্ণ দৰমহা দি ৰখা হৈছে আৰু সেই ঠাইত অন্য বিষয়া মকৰল কৰা হৈছে। ইয়াৰ দ্বাৰা ৰাজহুৱা ধনৰ অপব্যয় হৈছে সেই কথা কিন্তু কোনেও লক্ষ্য কৰা নাই।

উপাধ্যক্ষ মহোদয়, এই নতুন চৰকাৰৰ মাজতে ইমান বিলাক প্ৰতিশ্ৰুতি আছিল আৰু এই নতুন চৰকাৰ গঠন কৰিবলৈ ওলোৱা সময়ত পুৰণি চৰকাৰ ভাঙি দিয়াৰ কাৰণে যথেষ্ট চেষ্টা কৰিছিল কিন্তু এতিয়া আকৌ নতুন চৰকাৰৰ মাজতেই বহুত দূৰ্নীতিত লিপ্ত হৈ পৰিছে। যদি নাই দূৰ্নীতি তেনেহলে গুৱাহাটীৰ এই মাটিৰ সংক্ৰান্তত চৰকাৰ ওলাই আহক সাহসেৰে কোনোবা ভিজিলেন্স চেলক তদন্ত কৰিবলৈ দিবলৈ নতুবা ইয়াৰ মাজত থকা অভিসন্ধি বাহিৰকৰিবলৈ চৰকাৰ ওলাই আহিব লাগে। নহলে মই কৈছো সময়ৰ আঙুলিৰ সংকেত চাবলৈ সময় আহিছে। যি সময়ত ভাৰতবৰ্ষত গৰীবী হতাও ধ্বনি উঠিছে, অসম দেশতো যি সময়ত দীন দুখীয়াক খাবলৈ দিম বুলি প্ৰতিশ্ৰুতি দিছিল সেই অসম দেশতে আজি সাত দিনৰ আগতে 'ওভাৰব্ৰীজৰ' তলত এজনী মাকে কেচুৱা এটাক মাৰি পেলাইছে। কিয় মাৰিছে সোধাত কলে যে 'হামনে নেহি মাৰা অপ্‌নে মৰ গিয়া' পিচে গলত চিন আছিল চেপি মৰা বুলি, সোধাত কলে 'খিলানেকী শক্তি নেহী মৰতিতো কিয়া কৰেগা'। এইয়েই হৈছে অৱস্থা। আজি কেৱল অসমতেই নহয় ভাৰতবৰ্ষতো এই অৱস্থাৰ সৃষ্টি হৈছে। সেই সকলক চৰকাৰে কিবা কব পাৰিব নেকি যে তেওঁলোকৰ প্ৰতিশ্ৰুতি পালন কৰিবলৈ সক্ষম হৈছে, ৰাইজক যি দিম বুলি কৈছিল সেইটো দিছে।

উপাধ্যক্ষ মহোদয়, আজি অসম দেশৰ জনতা আমাৰ পিচতেই আছে। ৰাজ্যপাল মহোদয়ক অন্যান্য সদস্য সকলে ধন্যবাদ দিছে তেখেতৰ ভাষণৰ কাৰণে কিন্তু মই কওঁ যে এই ব্যৱস্থা সম্পূৰ্ণৰূপে পৰিহাৰ কৰিব লাগে কিয়নো যদি ৰাজ্যপালে বিধায়ক মণ্ডলীৰ লগত দেখা কৰিব লাগে তেন্তে আপোনাৰ চেম্বাৰত বহি চাহ আদি খাইও দেখাসাক্ষাত্‌ কৰিব পৰা হয়। কিন্তু প্ৰত্যেক বছৰে এনেকুৱা ভুল তথ্যপাতিৰে বিধান সভাৰ মজিয়াত ভাষণ দিয়াৰ পিচত চৰকাৰী প্ৰচাৰ যন্ত্ৰৰ দ্বাৰাই ৰাইজৰ মাজত কাগজে কাগজে

ঘোষণা কৰিব, এইটো ৰাইজক ভুল পথে পৰিচালিত কৰিবলৈ লোৱা এটা পথ। এই পথ অৱলম্বন কৰিবলৈ ৰাজ্যপাল শ্ৰী লালন প্ৰসাদ সিঙৰ কোনো অধিকাৰ নাই।

শ্ৰী গিয়াচুদ্দিন আহমেদ : উপাধ্যক্ষ মহোদয়, আমাৰ গ্ৰুপৰ পৰা লিষ্ট এখন দিছিলো আগতেই আৰু সেই মতে শ্ৰী মতী ৰেনুকা দেৱী বৰকটকীয়ে কোৱাৰ আগতে শ্ৰী তুলাল চন্দ্ৰ বৰুৱা ডাঙৰীয়াই কব লাগিছিল।

Mr. Deputy Speaker : Lady was given first preference. Now Shri Upadhyaya

Shri Bishwanath Upadhyaya

माननीय उपाध्यक्ष महोदय !

राज्यपाल महोदय के भाषण के सिलसिले में जो बहस चल रही है, उसमे बहुत से माननीय सदस्यो ने अपने विचार प्रकट किये है। मै भी २/३ बिशेष बातों पर अपना बिचार सदन की सेवा मे रखना चाहता हुँ ।

प्रथम मूझे कहना है भूमि सुधार के बारे मे। राज्यपाल महोदय ने Land Reforms भूमि संस्कार के बारे मे कहा है—

भूमि सूधार के बारे मे, Land Ceiling एक्ट से हमारे यहाँ जो कार्य चल रहे है उससे हमारे जिले में एक इचं भी जमीन मिलने-वाली नही है। क्यों कि हमे काछार जिले में चाय बागानो से इस एकत के पास होने से कम से कम 5 हाजार वीघा surplus land जमीन मिलने वाली थी लेकिन आज भी वँहा चाय बागान की जमीन विक्री हो रही हैं। किस तरीके से जमीन की बीक्री होती है ?

ऐसे-ऐसे कागजात छपाते है। इसे कुबुलीयत कहते है। जमीन की बीक्री आज होती है। किन्तु बेचने की तारीख को पाँच साल के पहले कि लिख देते है। यानी "Ceiling Act" होने के पहले की किसी तारीख को इसमे दिखाया जाता है। जमीन वीक्री हुई।

31-12-73 को लेकीन ईसमे दिखाया गया है। कि 15-4-69 को जमीन बीक्री हुई। इन पाँच सालो के पैसे को Land की arear बोल के ले लेते है। इस तरह December 1973 तक arear के रुप में दिखा दिया जाता है। इसलिये मैं कहता हूँ कि ceiling act से हमारे यहाँ के चाय बगानो से एक इच की जमीन मिलने वाली नही है भूमिहीन लोगों के लिये।

इसके बाद महोदय, मैं सरकार तथा सदन का ध्यान आकर्षित करना चाहता हूँ। एक विशेष वात की आज हमारे यहाँ जो काड़ हो रहा है वह वड़ा दयनीय है। चाय-बगानो में जो श्रमीक पिछले ५० साल से जमीन खा रहै है वगान की जमीन खेती कर के जमीन पर अपना कब्जा जमाए थे। वही जमीन बगान के मालीक बाहर के लोगो से पैसा लेकर दे रहे है। उन गरीब श्रमीको को जमीन नही दी गयी है। पिछले ५० सालो से वह उस जमीन को जोत रहै है। किन्तु मालीक यह कहकर कि उनके पास प्रमाण के लीये कोई Documents नही है बाहर के आदमी को वह जमीन दे देते है। इसका परिणाम यह होता है कि श्रमिक और जमीन खरीदने वाले बाहर के लोगोंमे clash हो जाते है। मार-पीट हो जाती है। इन श्रमीको पर जुल्म हो रहा है। करीमगंज मे आज कोई २०/२५ आदमी ऐसे clash की वजह से जैल मे सड़ रहै है।

हमने ceiling act पास कराया। चाय बगानो के लिये भी वह लागु हुआ। आशा थी की चाय बागान की 3471 जमीन भूमीहीन गरीब श्रमीको मे बाँटी जायेगी। लेकीन हमे दूख है कि इस act के बनने से हमारे गरीब श्रमीको का कोई लाभ नही हुआ। इसलिये मेरा विनम्र निवेदन है कि सरकार बगानकी जमीन की बिक्री को वन्ध करायें। बगान में कोई जमीन विक्री न होने दें। और भूमिहीन गरीब लोगों में बगान की 3471 जमीन बाँटने की व्यवस्था करें। जिनके हाथो मे पिछले 50 बर्षो से वह जमीन थी उन्हे वह जमीन दिलाए।

"महोदय" दुसरी बात यह है कि सन 1964 मे हमने एक प्रस्ताव रखा कि सरकार अपने Co-operative कानुन को चाय बगानो मे भी लागु करे। हमने अपनी वह scheme दी। हमे बड़ा दुख है कि चाय बगान को जो representative थे उन्होंने उसका विरोध किया। Standing Labour Committee मे सरकार तथा Management के

Representatives थे। Management के Representative ने इसका विरोध किया। हमलोगो ने मांग की थी कि बगानो मे Whole sale Co-operative और Primary Co-operatives बने ताकी हमारे गरीब श्रमीकों को कम तथा उचीत भाव मे आवश्यक समान तथा खाने पीने कि चीजे मिल सके। लेकीन मालीक लोगोने इसका बिरोध किया इसका कारण यह है कि चाय बगान मे उनके bankers अथवा अपने लोगो कि दुकाने है। अगर Co-operative चले तो उनके अपने आदमी की जो दुकाने है वे निकल जायेगे। Management ने इसका बिरोध किया। हमे बड़ा आशर्चय हे कि सरकार की तरफ से भी इसके लिये आपत्ती हूई। हम बगानो मे whole sale Co-operative नही चला सकते हमने Co-operative के लिये जो bye laws बनाए वे सरकार के पास है। Co-operative के Registrar ने bye laws को approval के लिये सरकार के पास भेजा था। वह कागजात सरकार के पास pending हैं। हमने permission के लिये सरकार के पास भेजा था। आज ५/६ महीने हो गये। किन्तु हम ने permission नही मिला है। इसी तरह हम समाजवाद चला रहै है। समाजवाद कायम करने जा रहें है। उस दिन हमारे माननीय सदस्य श्री जगन्नाथ सिंह जी ने कहा था कि हमारे गरीब मजदुर भूखो मर रहै। सरकार के पास छः महीने से file पड़ा हुआ है। हम चाहते है कि Co-operative चलाने के लिये हमे permission मिले ताकी वगानो मे Co-operative चला सके। गरींव मजदूरों को कम दाम मे तथा Control Rate मे माल मिलना चाहीए। हमने गत बार यह प्रश्न उठाया था कि करीमगंज मे चाय बगानो मे जो Co-operative बने है उन्हे यह सुवीधा मिले।

Mr. Deputy Speaker : How long will you continue ?

Shri Bihswanath Upadhyaya : Only ten minutes Sir.

Mr. Deputy Speaker : The House stands adjourned till 2-30PM. to-day according to the new rules. So you continue them.

अध्यक्ष महोदय।

मैं Co-operative के बारे मे बोल रहा था। जैसा कि राज्यपाल जी ने अपने भाषण के 7 वे Page मे लिखा है राज्यपाल जीं ने Co-operative farming........की बात कही है। लेकीन हमारे मजदुरी के बारे मे एक शब्द भी उनके भाषण मे नही है अपने भाषण मे उन्होने बगानो के Co-operative के बारे मे जिक्र नही किया है। उन्होने Farming की बात कही है। काछार जीले के चाय बागानो मे कम से कम एक लाख बीघा जमीन मे धान की खेती होती है। ईख की खेती होती है। काछार जिले के चाय बगानो मे अधीकांश जमीन पर चाय नही होती है इसलीये हम लोग यहाँ Co-operative Society बनाना चाहते है। वहाँ भी Whole Sale Co-operative बने। आसाम वेली मे "Aticol के नाम से Whole Sale Co-operative बनी है इसका area of operation सारे आसाम मे है। सारे आसाम मे इसका jurisdiction है। लेकीन कछार जिले मे भी इसके बहुत पहले से Cachar District Industrial Co-operative काछार जिले मे काम कर रही है। तो काछार जिलेमें Aticol का Jurisdition क्यों होना चाहीए। यह बात हमारी समझ मे नही आती अगर दिल्ली मे भी अगर ऐसा Co-operative बने और सारे हिन्दुस्तान मे उसका area होगा तो आसाम उस चीज कौ कैसे बरदास्त करेगी? इसलिये मे कहना चाहता हूँ कि पहले से ही कछार की श्रमीको का जो Co-operative वना हुआ है उसी कों Co-operative चलाने का मौका मिले। मुझे दुख है कि सरकार ने Co-operative बनाने के लिये permission नही दिया है। फिर भी हमे इस बात के लिये खुशी है कि जब हमने माननीय मुख्यमन्त्री के ध्यान मे यह बात लाए तो उन्होने यह आश्वासन दिया है कि इसके लिये permission मिलेगा मुझे आशा है कि सरकार वहा Co-operative Society गठन करेगा और Society को सभी आवश्यक सामान मिलना चाहीए।

करीमगंज की दो Co-operative Society ने यह मांग कि थी की उन्हे control cloth वेचने के लिये दिया जाय लेकीन वहाँ के F.P.S. ने कहा की चाय बगान मे control cloth नही मिलेगा। हमने विधान सभा मे यह प्रश्न उठाया कि उन सोसाईटीयों को control cloth मिले। Septemeber की 29 तारीख को ही ये दो बगान हुलायो

चैरा और विद्यानगर चाय बगान की Co-operative Society ने यह मांग की थी। लेकीन बहुत दुख की बात है कि आजतक उन्हे यह सामान मिला नही।

फिर मै Fair Price shop के बारे मे कहुँगा। हमारी सरकार की क्या policy है इस बारे मे ? Policy यह है कि किसी individual को fair price shop न दे के Co-operative Society को दिया जाय। किसी व्यक्ति के पास Fair Price Shop न हो। लेकीन हमने उसकी मांग की तो Allotment नही मिली। यह बड़ी दुख की बात है।

"महोदय,

राज्यपाल महोदय ने अपने भाषण के अन्तीम प्रष्न मे लिखा है कि इस बार सदन मे कई नए विधायक लाये जायेंगे। उन्होने कहा है— ( in english )

किन्तु हमे दुख है कि इसमे भी चाय बगान के श्रमिको के बारे मे कोई बात नही है। हम चाहते आये है कि पंचायत विधेयक को चाय वगान के इलाको मे भी लागु किया जाय। चाय बगानो को भी पंचायत मे स्थान मिले। किन्तु इस बारे मे कुछ नही किया गया है। हमे विश्वास था कि सरकार इस बारे मे आवश्यक amendment लाकर चाय बगानो को पंचायत मे representation दिलायेगी। इस बारे मे कोई नया विधेयक नही है। मैं पूछना चाहता हु कि क्या सरकार चाय बगानो को पंचायत मे स्थान दिलाने की व्यवस्था नही करेगी।

Shri Syed Ahmed Ali : Mr. Speaker Sir

Shri Dulal Chandra Barua— Sir, he is not Speaking from his seat. ( Shri Syed Ahmed Ali moved to his seat ).

Shri Syed Ahmed Ali : For the information of the hon' members, I would like to say that the Bill regarding the remination of the Panchayat is forthcoming.

Shri Bishwanath Upadhaya : लेकिन राज्यपाल जी के भाषण मे

इसका कोई जिक्र नही है कि इस session मे ऐसा कोई नया bill आने वाला है। मेरा निवेदन है कि चाय बगानो को पंचायत मे स्थान दिया जाए तथा इसी सदन मे उसके लिये आवश्यक विधेयक लाना चाहिए।

Shri Giasuddin Ahmed : Mr. Speaker, Sir, one clarification I would like to have from the hon'ble Minister, Panchayat. There was an understanding in the Select Committee of the Bill that if the Government thinks proper and if there is definite time given, Government will extend the operation of the Bill to the tea gardens also as that can be done easily by the order of the Government. I want to know why this is not being done.

"महोदय,

फिर आप जानते है कि कुछ महीने पहले दिल्ली से एक Parliamentary Delegation आया था यह देखने के लिये कि चाय बगानो मे Plantation Labour act का कैसा ऊपयोग हो रहा है। वह delegation विद्यानगर बगान गया था। सरकार यह बगान चलाती है। फिर भी बगान के श्रमीको को ठीक समय पर अपनी मजदुरी वगैरह नही मिलती है। उन्हे दो दो हप्ते बाद तलब मिलती है। कभी ३ हप्ते बाद रासन मिलता है। Delegation के पूछने पर कि सरकार द्वारा चलाए बगान की यह हालत क्यो है तो मैनेजर ने कहा कि हमारे पास पैसा नही है हम क्या करे? विद्यनगर चाय बगान की हालत कछार कौ सभी बगानो से रद्दी है। जब सरकारी बगान ही Plantation Labour Act के अनुसार सरकार के आदेशो का पालन नही करता है तो और बगानो मे हम उनका पालन करने के लिये कैसे impose कर सकते है? मैनेजर ने कहा है कि बगान की Factory बन्द कर दी जायेगी। बगान की green leaf बाहर बीक्री कर दी जायेगी। इससे बगान के एक सौ मजदूर छांट दिये जायेंगे। 1960 मे जब ईस बगान मे मजदूरों की छंटाई हुई थी तो हमने इसके खिलाफ आवाज उठाई थी। हमारी मांग थी की एक कमेटी बनाई जाय और जाँच की

जाय की बगान की हालत क्यो खराब होती जा रही है। "कमेटी" ने फैसला दिया की बगान के चार सौ श्रमीक छाट दिये जाए तो बगान चल सकत्ता है। उस समय चार सौ अदमी निकाले गये। 12 सौ आदमी काम करते थे। किन्तु बगान की हालत सुधरी नही। आज बगान मे सिर्फ 3 सौ अदमी काम कर रहे है। फिर Factory बन्द हो और Green leaf बाहर बेचने की व्यवस्था हो तो और एक सौ आदमी छाँट दिये जाऐगे। और बगान मे सिर्फ दौ सौ आदमी रह जाए'गे। जब सरकारी बगान की हालत यह है। जब सरकारी बगान ही सरकार के निदेशंको का पालन नही करता है तौ एक दुसरे बगान से कैसे यह आशा कर सकते है कि वे उनका पालन करे। सरकार ने दो बगान लिये थे। हमारी सरकार ने विद्यानगर को लिया था। और भारत सरकार ने पतनी चाय बगान को लिया। पतनी चाय बगान की हालत अच्छी है। वह ठीक से चलता है। विद्या नगर ठीक से नही चलता है। क्यो की बगान के काम को ठीक से देखने के बजाय मैनेजर को बार बार पैसै के लिये ration के लिये, सिलचर के S. C. के पास दौड़ना पड़ता है। हम चाहते है कि सरकारी बगान मे श्रमीको को कष्ट न हो।

Mr. Speaker: You have taken 25 minutes.

Shri Bishwanath Upadhaya: महोदय आप जान्ते है कि सारे Assam Valley मे Farming Corporation बनाए गये है। लेकीन कछार जिले मे एक भी Farming Corporation नही है। हम चाहते हैं कि काछाड़ में भी Farming Corporation का श्री गणेश हो।

मैं चाय बगानो के स्कूलों के बारे मे भी कुछकहना चाहता हूँ। सरकार ने बगानो के स्कूलों को अपने हाथ मे ले लिया है ताकी स्कूलों की हालत ठीक हो। लेकीन स्कूलो की हालत ठीक नही हुई। स्कूलो की inspection न होने से उनकी हालत ठीक न हो सकी। Inspection के लिये जो staff है वे grants आदी मे इतने ब्यस्त रहते है कि उनके पास inspection के लिये समय नही रहता। सरकार से मेरा निवेदन है कि इन स्कूलो की inspection के लिये अलग staff की नियूक्ति करे ताकी ये स्कुल ठीक से चले।

सरकार ने un economic बगानो को ले लेने के लिये Tea Corporation का संगठन किया है। कछार जिले मे कई बगान uneconomic है। इससे उन बगानो के श्रमीको को बहत कष्ट हो रहा है। हमारा निवेदन है।

ऐसे uueconomic बगानो को Tea Corproation अपने हाथो मे ले ले ताकी श्रमीको को कष्ट न हो।

सरकार से मेरा निवेदन है कि मैंने जो बात कही है उनके बारे मे सरकार ध्यान देगी और हमारी समस्याओ को हल करने के लिये उचित व्यवस्था करेगी।

শ্ৰী তুলাল খাউণ্ড ঃ মাননীয় উপাধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণ শুনি আৰু পঢ়াৰ লগে লগে এটা কথা মনলৈ আহিছে যে বৃটিছ সম্ৰাজ্যবাদীৰ পৰা আমি কিছু বস্তু উত্তৰাধিকাৰী সুত্ৰে ললো। তাৰ ভিতৰত আৰু এটা বস্তু উত্তৰাধিকাৰী সুত্ৰে ললো, সেইটো হ'ল আমোলাতন্ত্ৰৰ লৌহযন্ত্ৰ যাৰ ওপৰত ৰাজ্যপাল বহি থাকে। এই উত্তৰাধিকাৰী সুত্ৰে লোৱা ৰাজ্যপালৰ ভাষণটো অলংকাৰ হিচাবে অৰ্থাত ল'ৰাই মাক-দেউতাকৰ শ্ৰাদ্ধ কৰাৰ নিচিনাকৈ বছৰৰ মূৰত এবাৰ অলংকাৰ হিচাবে সদনত দাঙি ধৰিছে। কিন্তু আমি মন কৰিব লাগিব এই অলংকাৰযুক্ত শ্ৰাদ্ধ যথেষ্ট খৰছী অলংকাৰ।

যোৱা বছৰৰ ৰাজ্যপালৰ ভাষণ আৰু এই বছৰৰ ৰাজ্যপালৰ ভাষণ যদি পঢ়ি চোৱা যায় তেন্তে এই কথা কব লাগিব যে আমাৰ দৰে দুখীয়া ৰাজ্য এখনত চৰকাৰী ধনৰ নাটনি। গতিকে একে বছৰতেই আৰু কেই বছৰ মানৰ কাৰণে ৰাজ্যপালৰ ভাষণটো ছপাই থলে ভাল হয়। লগতে তাত মাত্ৰ ৰাজ্যপাল সকলৰ নাম আৰু সংখ্যা কিছুমানৰ ঠাই খালি কৰি ৰাখিলেই হব। তেনেকৈ সামান্য কিছুমান ঠাই খালি কৰি আৰু কেই বছৰ মানৰ কাৰণে ৰাজ্যপালৰ ভাষণটো ছপাই থব পাৰি। কাৰণ আমাৰ দেশত বা ৰাজ্যত প্ৰাকৃতিক দূৰ্য্যোগ হবই আৰু প্ৰতি বছৰে বানপানী হবই। তেনেস্থলত কৃষি নিগম হবলৈ আৰু ৫০ বছৰ সময় লাগিব, বিজুলী শক্তি উৎপাদন কৰিবলৈ আৰু ২০।২৫ বছৰ লাগিব। সেইদৰে অসমৰ বাট-পথ বিলাকত বিজুলীশক্তি দি পি, ডব্লিউ, ডি ৰাষ্টা কৰিবলৈ আৰু ৫০ বছৰ কাল লাগিব।

গতিকে এই সকলোবিলাক কথা চলিয়েই থাকিব। সেই কাৰণে ৰাজ্যপালৰ ভাষণখন একেটা খৰচতে একেবাৰেই চপাই লৈ বাৰে বাৰে দি থাকিব পৰা যায়। কাৰণ ৰাজ্যপালৰ ভাষণৰ ভিতৰত চৰকাৰৰ বকতব্য সোমাই থাকে আৰু সেই ফালৰ পৰা যদি এইটো হলহেতেন যে যদি যোৱা বছৰ সেইকাৰণেই এটা বিশৃংখল আৰু ভবিষ্যতৰ কাৰ্য্যসূচিত তেনে বিশৃংখল নোহোৱাৰ এটা

আঁচনি আমি পালোহেতেন তেনেহলে কব পাৰিলোহেতেন যে এই বক্তব্যৰ কিবা এটা মূল্য আছে। তাৰো পৰি ৰাজ্যপালৰ ভাষণত অসমৰ বাস্তৱ অৱস্থাটো এনেদৰে প্ৰতিফলিত হৈছে যে এই ভাষণৰ ওপৰত বক্তৃতা দিবলৈ গৈ মাননীয় সদস্যসকলে বিশেষকৈ কংগ্ৰেছ দলৰ সদস্য সকলে এনেবোৰ কথা কবলৈ বাধ্য হৈছে যে তেওঁলোকৰ বক্তৃতাৰ মাজত আৰু বিৰোধী পক্ষৰ সদস্য সকলৰ বক্তৃতাৰ মাজত কোনো পাৰ্থক্য নাই, অৱশ্যে তেখেত সকলে ভাষণৰ শেষত ৰাজ্যপালৰ ভাষণৰ বাবে ধন্যবাদ জনাই সামৰণি মাৰিছে। এইটো কিয় হৈছে ? ইয়াৰ কাৰণ হৈছে ৰাজ্যপালৰ ভাষণে অসমৰ যিটো ৰাজনৈতিক আৰু অৰ্থনৈতিক অৱস্থা সেইটো মুঠেও প্ৰতিফলিত কৰিব পৰা নাই। মই তাৰে কেইটামান উদাহৰণ দিওঁ, অৱশ্যে মই পৰিসংখ্যালৈ নাযাওঁ, কিন্তু কেইটামান মূল কথা মই কব খুজিছোঁ।

প্ৰথমেই মই আমাৰ কৃষিৰ কথালৈ আহোঁ। কৃষিপ্ৰধান এখন দেশত ভূমিসংস্কাৰৰ কাৰণে বহুতো কথা—বতৰা কোৱা হল, আইনো ভালেকেইখন কৰা হল, কিন্তু সকলোতে চৰকাৰ ব্যৰ্থ হ'ল। এই ব্যৰ্থতাৰ আটাইতকৈ ডাঙৰ কাৰণ হল চৰকাৰে কৰা আইন সমুহ কাৰ্য্যকৰী কৰিব নোৱাৰিলে, তাতোকৈ ডাঙৰ কথা হল আমাৰ দেশৰ কৃষক আৰু শ্ৰমিক সকলক সেই আইনৰ দ্বাৰা উদ্বুদ্ধ কৰি তেওঁলোকৰ মাজত জাগৰণৰ সৃষ্টি কৰিব নোৱাৰিলে। দেশখনক পুণৰগঠন কৰাৰ যিটো সুযোগ চৰকাৰে পাইছিল সেই খিনি চৰকাৰে গ্ৰহণ কৰিব নোৱাৰিলে ফলত মাটিৰ মালিক আৰু কৃষকৰ মাজত নানা চক্ৰান্ত চলি আছে। কাৰণ চৰকাৰে যি কোনো এটা নীতি গ্ৰহণ কৰিলে সেই নীতিটো যিমানেই ভাল নহওক লাগে প্ৰত্যকজন মানুহেই কয় যে চৰকাৰে জানো সেই নীতিমতে কাম কৰিব পাৰিব ? জনসাধাৰণৰ মনত এনে সন্দেহৰ সৃষ্টি হৈছে কেলৈ ? ইয়াৰ কাৰণ হৈছে চৰকাৰে জনসাধাৰণৰ স্বাৰ্থৰ কাৰণে কোনো কাম কৰিবলৈযোৱা নাই, চৰকাৰৰ যিটো নীতি সেই নীতি একমাত্ৰ আমোলাতান্ত্ৰিক যন্ত্ৰটোৰ ওপৰত ভৰষা কৰিহে কাম—কাজ কৰিবলৈ গৈছে, ফলত চৰকাৰৰ নীতি বা কোনো সিধান্তই জনসাধাৰণক উদ্বুদ্ধ কৰিবলৈ পৰা নাই। যোৱা বছৰ হাজাৰ হাজাৰ ৰায়তক মাটিৰ মালিকে উচ্ছেদ কৰিছিল, মই চৰকাৰক সোধোঁ যে এই উচ্ছেদিত ৰায়তৰ এজন মানকো চৰকাৰে ৰক্ষা কৰিব পাৰিলে নে ? চৰকাৰৰ ৰাজহ বিভাগ আছে, ৰাজহ বিভাগৰ বিষয়াসকল আছে, ৰাজহ বিভাগৰ মন্ত্ৰী আছে, তেওঁলোকৰ কোনোবাই সেই উচ্ছেদিত ৰায়তৰ এজনকো ৰক্ষা কৰিব

পাৰিলেনে ? নাই পৰা, বৰং তেওঁলোকক উচ্ছেদিত হোৱাত চৰকাৰে সহায়হে কৰিছে। এই খিনিতে উল্লেখ কৰিব পাৰি যে নলবাৰীৰ আগাৰা অঞ্চলৰ এজন কৃষক পথাৰলৈ যাওঁতে মাটিৰ মালিকে মানুহ লগাই দি ৰাষ্টাৰ দাতিতে দিন-দুপৰতে সেই কৃষক জনক হত্যা কৰোৱালে। তেওঁ আগতেই চৰকাৰক আৰু চৰকাৰৰ পুলিচক জনাই থৈছিল যে তেওঁক শত্ৰুৱে আক্ৰমন কৰিব পাৰে। কিন্তু চৰকাৰ বা পুলিচে তাৰ কোনো ব্যৱস্থা নললে আৰু ফলত ৰাতিপুৱা ৬টা বজাতে চাইকেলৰ চেনেৰে কোবাই কৃষকজনক হত্যা কৰিলে। চৰকাৰে একো নকৰিলে কাৰণ মাটিৰ মালিক জন আছিল এজন কংগ্ৰেছী সদস্য আৰু পুলিচে একো নকৰিলে কাৰণ কোনোবা ভট্টাচাৰ্য্য এজন পুলিচৰ উচ্ছ পদস্থ বিষয়া। এই কথা ৰাজ্যপালৰ ভাষণত আছে নে ? বহু হেজাৰ ৰায়তক উচ্ছেদ কৰা হল, তেওঁলোকৰ কাহিনী ৰাজ্যপালৰ ভাষণত আছেনে ? নাই। এই কথা এই ৰাজ্যপালে নাজানে। ৰাজ্যখনৰ শিল্পান্নোৰ কথা ৰাজ্যপালে ভাষণত সাধাৰণ ভাবে কৈছে যে শিল্পানোয়ন কৰিম। কিন্তু কেন্দ্ৰীয় চৰকাৰে এই কথা জানে নে যে অহা এপ্ৰিল মাহৰ ভিতৰত ৪০ খন চাহ বাগিছা বন্ধ হব ধৰিছে। নতুন শিল্পৰ কথা বাদ দিয়ক। অশোক পেপাৰ মিলকে ধৰি যি কেইটা শিল্প আছিল সিও গেঠেলা মাৰিব ধৰিছে। এই কথা ৰাজ্যপালৰ ভাষণত আছে নে ? অসমৰ শিল্পৰ যি অৱস্থা সি কিবা বাতায়ণৰ সৃষ্টি কৰিব পাৰিছেনে ? নাইপৰা। শিল্পৰ কথা কৈছে, খেতিত পানী যোগানৰ কথা কৈছে, কিন্তু তাৰ কাৰণে যি প্ৰয়োজনীয় বিদ্যোত শক্তি তাৰ অৱস্থা আজি কি ? অহা ৭।৮।১০ বছৰলৈ অসমত কোনো শিল্পই বিদ্যোত নাপাব, কোনো পানী যোগান ব্যৱস্থা অসমত নহব। অসমত বিদ্যোত শক্তিৰ অভাব হৈ পৰিছে। কোনোবা ঠাইলৈ বিজুলি লাইনেই যোৱা নাই, আৰু যলৈ বিজুলি লাইন গৈছে তাতে পাম্প নাই আৰু যত পাম্প আছে তাত বিজুলি লাইন নাই। এই দুয়োটাৰ লগত আচলতে কোনো সমন্বয় নাই। এইবিলাক কথা ৰাজ্যপালৰ ভাষণত নাই। মুখ্য মন্ত্ৰীয়ে ইন্সটিটিউচন অৱ ফিনান্সৰ কথা কৈছে। এই ইন্সটিটিউচন অৱ ফিনান্স কি ? অসমে অসমত থকা বেংক বিলাকৰ পৰা যিমান টকা গচ্ছিত পায় তাৰ শতকৰা ৫০ ভাগেই অসমত নিয়োগ কৰানাই। মহাৰাষ্ট্ৰত যিমান টকা ৰাজ্যখনে গচিছত পায় তাৰ শতকৰা ১৫০ ভাগেই তাত ইন্‌ভেষ্ট হয়।

মহাৰাষ্ট্ৰৰ যিমান খিনি গচ্ছিত টকা থাকে তাৰ শতকৰা ১৫০ ভাগ মহাৰাষ্ট্ৰই খৰচ কৰে। অন্যান্য ৰাজ্যতো যিমান খিনি ইনভেষ্ট কৰে মহাৰাষ্ট্ৰৰ দৰেই তেওঁলোকেও খৰচ কৰিবলৈ পায়। কিন্তু অসমৰ ক্ষেত্ৰত অসমে যিমান খিনি টকা

ইনভেষ্ট কৰে তাৰ শতকৰা ৫০ ভাগ টকাও খৰচ কৰিবলৈ নাপায়। সেই দৰে অসমত জীবন বীমা নিগমত যিমান টকা ইনভেষ্ট কৰে সেই টকাও খৰচ কৰিবলৈ নাপায়। উপাধ্যক্ষ মহোদয়, মোৰ সমষ্টিত ষ্টেট বেংকে এটা কৃষি বেংক স্থাপন কৰিছিল। তাৰ পৰা ঋণ পাবৰ কাৰণে আমাৰ মানুহৰ হাহাকাৰ অৱস্থা হৈছিল। মাহৰ পিছত মাহ ধৰি নিবনুৱা যুবক সকল আৰু কৃষক সকল তালৈ ঋণ পাবৰ কাৰণে অহা যোৱা কৰিব লগীয়া হৈছিল। আমাৰ ইয়াত শিল্পায়ন কৰিম বুলি কৈ আহিছে। কিন্তু তাৰ কাৰণে আমাৰ ইয়াত পাৱাৰ নাই, ট্রেন্সপৰ্ট নাই এই বিলাক নহলে আমাৰ ইয়াত শিল্পায়ন কত হব ?

বস্তুৰ মূল্য বৃদ্ধিৰ সম্পৰ্কত সিদিনা আমাৰ মাননীয় সদস্য শ্রীগৌৰী শংকৰ ভট্টাচাৰ্য্য ডাঙৰীয়াই আমাৰ ইয়াত থকা তুখন পৃথিবীৰ কথা কৈ গৈছে। তেখেতৰ লগতময়ো একমত। আজি এনে দৰে হৈ পৰিছে যে পৃথিবীতে বস্তুৰ দাম বৃদ্ধি পালে আমাৰ ইয়াতো বৃদ্ধি পাব। এই বিলাক কথাৰে আমাৰ সমস্যা সমাধান নহব। আমাৰ ইয়াত বস্তুৰ দাম বাঢ়িছে কিয় সেইটো বিশ্লেষণ কৰি চাব লাগিব। সিদিনা কৈছে যে বহুত বস্তু অসমৰ বাহিৰৰ পৰা আনিব লগীয়া হয়। মিঠাতেল, দাইল, বনস্পতি আদি বাহিৰৰ পৰা আনিব লগীয়া হয় আৰু বাহিৰত এই বিলাক বস্তুৰ দাম বঢ়াৰ কাৰণে অসমতো তাৰ দাম যথেস্ত বৃদ্ধি পায় যায়। সিদিনা যোগান মন্ত্ৰী ডাঙৰীয়াই কৈছে যে আমাৰ বস্তু বাহিৰৰ পৰা আনিবৰ কাৰণে চৰকাৰৰ কিবা মেচিনাৰী প্রতিস্থা কৰাৰ কাৰণে কোনো ব্যৱস্থা নাই। বাহিৰৰ পৰা বস্তু অহাৰ কাৰণে তাৰ দাম যিমান বৃদ্ধি হয় সেই বস্তু অসম আহি পোৱাৰ লগে লগে মহাজন বেপাৰী সকলক লগত লৈ তাৰ দাম বৃদ্ধি কৰি সেই বস্তুৰ নতুন মূল্যায়ন কৰাৰ ব্যৱস্থা কৰে। কিন্তু সেই বিলাক ৰোধ কৰিবৰ কাৰণে কোনো পৰিকল্পনা চৰকাৰৰ নাই। অৰ্থাত যিটো দাম বঢ়াৰ কাৰণ বুলি কৈছে সেইটোত মন কৰিবলৈ চৰকাৰৰ কোনো পৰিকল্পনা নাই। অৰ্থাত আমাৰ যিটো সমস্যা আজি আহি পৰিছে সেইটো সমস্যাক সমস্যা বুলি গ্ৰহণ কৰা নাই। অথচ এইটো এটা মানুহৰ জীৱন মৰণ সমস্যা হৈ পৰিছে। সিদিনাখন অসম চৰকাৰৰ কৰ্মচাৰী সকলে ধৰ্মঘট কৰিলে, শ্ৰমিক বিলাকে ধৰ্মঘট কৰিছে, তেওঁলোকে ধেমালি কৰিবলৈ ধৰ্মঘট কৰা নাই। তেওঁলোকে জীয়াই থাকিবৰ কাৰণে ধৰ্মঘট কৰিছে। অসমৰ চিলচৰ, গুৱাহাটী আৰু তিনিচুকীয়াত

কনজিওমাৰ প্ৰাইচ ইনদেক্স লোৱা হয়। তাৰ এভাৰেজ বাঢ়িছে ১৯৭৩ চনৰ অক্টোবৰ মাহত আছিল ২৯৮, নভেম্বৰত হল ৩১৫। উপাধ্যক্ষ মহোদয়, আপুনি বুজিব পাৰিছে যে এটা মাহৰ ভিতৰতে ১৭ পইণ্ট বাঢ়িল। এই-দৰে যদি কনজিউমাৰ প্ৰাইচ ইনদেক্স একেমাহতে ১৭ পইণ্ট বাঢ়ে তেনেহলে জনসাধাৰণ কেনেকৈ জীয়াই থাকিব? যোৱা বছৰ ৬ মাহৰ ভিতৰত মিঠাতেলৰ শতকৰা ১২০ টকা, বনস্পতি শতকৰা ১৩০, আলু শতকৰা ৫০ আৰু চাউলৰ শতকৰা ৬০ ভাগ দাম বৃদ্ধি হয়। চৰকাৰে কেবল কৈ থাকে যে বাহিৰৰ পৰা বস্তু আনিব লগীয়া হোৱাৰ কাৰণেই বস্তুৰ দাম বাঢ়িছে। অৱশ্য চৰকাৰে এটা ভাল কাম কৰিবলৈ চেষ্টা কৰিছিল। সেইটো হৈছে মহকুমাৰ ভিত্তিত খাদ্য বানিজ্য আৰু দামৰ এটা কমিটি কৰি দিছিল। মোকো তাৰ সদস্য কৰি দিছিল। কিন্তু সদস্য কৰি দিলেই কি হব আমাৰ অসমীয়াত এষাৰ কথা আছে বোলে "ঢাল নাই তৰুৱাল নাই নিধিৰাম চৰ্দ্দাৰ"। আমি যদি কওঁ মিঠাতেলত লিটাৰত ৮ টকা হব নোৱাৰে তেতিয়াহলে চেম্বাৰচ্ অফ কমাৰ্চে কব যে মিঠাতেল নাই। আৰু আমি যদি কওঁ যে দাইলত ইমান হব লাগে তেতিয়াহলে চেম্বাৰচ অফ কমাৰ্চে কব যে আমি বাহিৰৰ পৰা বস্তু নানো। কিন্তু বাহিৰৰ পৰা বস্তু অনাৰ সম্পৰ্কত এটা যে চৰকাৰী মেচিনাৰী থাকিব লাগে সেই সম্পৰ্কত চৰকাৰে একো কৰা নাই আৰু পৰিকল্পনাও লোৱা নাই। এই কথা সিদিনা যোগান মন্ত্ৰী ডাঙৰীয়াই কৈ গৈছে।

শ্ৰী গজেন তাতীঃ তেনেকুৱা পৰিকল্পনা আমাৰ আছে। আমাৰ নিজা ফুদ কৰপৰেচনৰ আচনি নাই বুলিহে কোৱা হৈছিল।

শ্ৰী তুলাল চন্দ্ৰ খাউণ্ডঃ মই গোটেই ৰেকৰ্ড উলিয়াবলৈ ৰাজি আছো। দাইল তেল আদি বাহিৰৰ পৰা আনিবৰ কাৰণে কিবা মেচিনাৰী আছেনে নাই বুলি প্ৰশ্ন কৰোতে তেখেতে নাই বুলি কৈছিল। যদি প্ৰমান বিচাৰে তেনেহলে মই গোটেই বিলাক কাগজ পাতি আনি ইয়াত দিব পাৰো।

উপাধ্যক্ষ মহোদয়, মই আৰু এটা কথাৰ বিবৰণ দিব বিচাৰিছো। মই গোটেই বিলাকৰ বিবৰণ দিবলৈ গলে গোটেই ৰাতিটো লাগিব। কিন্তু মোৰ হাতত সময় বেচি নাই। সিদিনা গুৱাহাটীৰ এখন সপ্তাহীক কাগজে মন্তব্য

প্ৰকাশ কৰিছিল যে মুখ্যমন্ত্ৰী ডাঙৰীয়াই ভৱিষ্যত বানী কৰাৰ ক্ষমতা কমি গৈছে। আগতে নিৰ্বাচনৰ সময়ত তেখেতে ভৱিষ্যত বানী কৰিছিল যে কংগ্ৰেছে ৯১ খন আসন পাব বুলি কৈছিল কিন্তু ৯৫ খন আসন পালে। তাত অৱশ্যে যিটো ভৱিষ্যত বানী কৰিছিল তাৰ বেচিহে আহিল। কিন্তু সিদিনা গুৱাহাটী পৌৰ সভাৰ আসনৰ বাবে যি নিৰ্বাচন হল তেতিয়া মুখ্যমন্ত্ৰী ডাঙৰীয়াই ভৱিষ্যত বানী কৰিলে যে ২২ খন আসন পাব। কিন্তু পালে ১১ খন। আৰু এতিয়া এনেকুৱা হব যে ২২ খন পাব বুলি কলে ৩ খনহে পাব। গতিকে এতিয়া দেখা গৈছে যে মুখ্যমন্ত্ৰীৰ ভৱিষ্যত বানী কৰাৰ ক্ষমতা কমি গৈছে।

শ্ৰী শৰত চন্দ্ৰ সিংহ ঃ মই তেনেকৈ ভৱিষ্যত বানী কৰা নাই।

শ্ৰী দুলাল চন্দ্ৰ খাউণ্ড ঃ মই এখন কাগজৰ এটা মন্তব্যৰ কথা কৈছো। যদি তেখেতে এই দৰে ভৱিষ্যত বানী কৰা নাই তেনেহলে ময়ো এই কাগজ খনৰ লগত এক মত নহয়। কথাটো হ'ল আগতে জন সাধাৰণে যি বিচাৰিছিল সেই মতেই কংগ্ৰেছ চৰকাৰে প্ৰতিশ্ৰুতি দিছিল আৰু তাৰ কাৰণেই কংগ্ৰেছ আৰু জনসাধাৰণৰ মনৰ মাজত এটা যোগসূত্ৰ স্থাপিত হৈছিল। কিন্তু এতিয়া, যেতিয়া কংগ্ৰেছী চৰকাৰে দিয়া প্ৰতিশ্ৰুতি বিলাক পালন কৰিব পৰা নাই সেই কাৰণে জনসাধাৰণৰ মনৰ মাজত চৰকাৰৰ লগত যোগসূত্ৰ হেৰাই গৈছে। সেই কাৰণেই ২২ খন আশা কৰি ১১ খন পাবলগীয়া হৈছে। এই কাগজ খনে আৰু এটা কথা কৈছে যে ১৯৭১-৭২ চনত খনিকৰ উন্মাদনাত জনসাধাৰণে কংগ্ৰেছক ভোট দিছিল। কিন্তু এইটো জনসাধাৰণৰ খনিকৰ উন্মাদনা নাছিল। ভাৰতবৰ্ষৰ জনসাধাৰণে কংগ্ৰেছে তেওঁলোকৰ আশা আকাংখা প্ৰেৰণ কৰিব পাৰিব বুলি তেওঁলোকক ভোট দিছিল। কিন্তু জনসাধাৰণক যি বিলাক প্ৰতিশ্ৰুতি কংগ্ৰেছে দিছিল সেই বিলাক ৰাষ্ট্ৰ কৰিব নোৱাৰাৰ কাৰণে জনসাধাৰণৰ মনৰ যোগসূত্ৰ হেৰাই গৈছে। এইটো খনিকৰ উন্মাদনা নহয় বা স্বপ্ন বিলাস নহয়। ইয়াৰ প্ৰমান হৈছে মহাৰাষ্ট্ৰ, গোজৰাট চৰকাৰ ভাঙি যোৱা আৰু গুৱাহাটীৰ পৌৰ নিৰ্ব্বাচন। আমি চৰকাৰৰ কথা আলোচনা কৰিবলৈ গলে নিশ্চয় কংগ্ৰেছৰ কথা আলোচনা কৰিব লাগিব। এই দৰেই যদি শাসন চলাই থাকে তেনেহলে ভাল আৰু বেয়া এই দুয়োটাৰ দায়িত্ব

কংগ্ৰেছেই লব লাগিব। প্ৰধানমন্ত্ৰী শ্ৰীমতী ইন্দিৰা গান্ধীৰ জনপ্ৰিয়তাৰ ওপৰত ভৰি দি বৈতৰণী পাৰ হব।

মই অস্বীকাৰ কৰা নাই প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীৰ জনপ্ৰিয়তা নাই। এই জনপ্ৰিয়তা কিহৰ কাৰণে আছে? ১৯৬৭ চনত প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধী আছিল। কিন্তু জনসাধাৰণে কংগ্ৰেছক ধুলিস্যাত কৰি দিছিল। এতিয়াও প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধী আছে কিন্তু মহাৰাষ্ট্ৰত তিকিব নোৱাৰিলে আৰু গুজৰাটটো তেখেতৰ দলে তিকিব পৰা নাই। তেনেহলে ১৯৭১-৭২ চনত প্ৰধানমন্ত্ৰীয়ে জনপ্ৰিয়তা কিয় অৰ্জন কৰিব পাৰিলে সেইটো ব্যক্তিগত জনপ্ৰিয়তা নহয়। তাৰ তিনিটা কথা আছিল। ভাৰতবৰ্ষত উগ্ৰ বামপন্থী দল কিছুমানে বঙ্গদেশ, কেৰেলাত জাতীয় চৰকাৰ ইউনাইটেড ফ্ৰণ্ট চৰকাৰ কৰি সৰ্বনাশ সাধন কৰিছিল। দুই নং কথা হল প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীৰ নেতৃত্বত কিছুমান অৰ্থনীতিৰ ব্যৱস্থা আৰু কিছুমান ৰাজনীতিৰ ব্যৱস্থা লোৱা হৈছিল। তিনি নং কথা হল সেই সময়ত ভাৰতবৰ্ষক দক্ষিণ পন্থী প্ৰতিক্ৰীয়াশীল শক্তিয়ে আক্ৰমণ কৰিছিল আৰু সেই আক্ৰমণৰ মুখত প্ৰধানমন্ত্ৰীয়ে সাহসেৰে ঠিয় দিছিল। এই তিনিটা কাৰণত জনপ্ৰিয়তা অৰ্জন কৰিব পাৰিছিল। তাৰ পৰা এতিয়া পিচলি যাব ধৰিছে। মুখ্যমন্ত্ৰী সিংহ ডাঙৰীয়াৰ ভৱিষ্যত বানী ভুল হোৱাতো স্বাভাবিক।

শ্ৰী শৰত চন্দ্ৰ সিংহ: মই দেখুন ভৱিষ্যত বানী কৰা নাই।

শ্ৰী দুলাল চন্দ্ৰ খাউণ্ড: মই কাগজৰ কথাটোহে কৈছো, যিহেতু বিবৃতি দিয়া নাই।

অধ্যক্ষ মহোদয়, আমাৰ কংগ্ৰেছ নেতাসকলৰ তৰফৰ পৰা, মন্ত্ৰীসকলৰ তৰফৰ পৰা এই কথা কোৱা হয় যে ভাৰতবৰ্ষত প্ৰক্ৰিয়াশীল শক্তিসমূহৰ কাম-কাজৰ কাৰণে আমাৰ অৰ্থনৈতিক অগ্ৰগতিৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি হৈছে। এইটো শুদ্ধ কথা। এইখিনিতে মই তিনিটা প্ৰশ্ন কৰিব খোজো এই প্ৰতিক্ৰিয়াশীল শক্তিসমূহক আইডেন্টিফাই কৰিছেনে? এই প্ৰতিক্ৰীয়াশীল শক্তিসমূহ ভেকুৱামত থাকিব নোৱাৰে। তেওঁলোক আমাৰ অৰ্থনীতিৰ মাজত আছে ৰাজনীতিৰ মাজত আছে। এই প্ৰতিক্ৰীয়াশীল শক্তিসমূহে যদি বাধা দিছে তেনেহলে বম্বে শিৱসেনাৰ লগত কিয় এলায়েন্স্ কৰিবলগা হৈছে।

শিৱসেনা প্ৰতিকি্ৰয়াশীল শক্তি হয়নে নহয়। প্ৰতিকি্ৰয়াশীল শক্তি জীৱামিদী, ব্যৱস্থাৰ ভিতৰত আছে, একচেতীয়া পুজিপতিৰ ভিতৰত আছে, সাম্ৰাজ্যবাদীৰ ভিতৰত আছে। তেওঁলোকক আইডেন্টিফাই কৰিবলৈ চেষ্টা কৰিছেনে? ৰাজহুৱা সভাত কৈ আছে প্ৰতিকি্ৰয়াশীল শক্তিয়ে বাধাৰ সৃষ্টি কৰিছে। নলবাৰীত কংগ্ৰেছী সদস্যজনে ৰায়তজনক গুলিয়াই মাৰিলে, সেইজন প্ৰতিক্ৰিয়া শীলশক্তি হয়নে নহয়? তাৰ ব্যৱস্থা আপোনালোকে কি কৰিব? দ্বিতীয়কথা হ'ল এই প্ৰতিক্ৰিয়াশীল শক্তিৰ বিৰুদ্ধে যুজ কৰাৰ শক্তি বা যুজ কৰাৰ আগ্ৰহ বা শক্তি আছে তেনেহলে কাক লৈ যুজ কৰিম বুলি ভাবিছে? আই, চি, এচ অফিচাৰক লৈ, আই, এ, এচ অফিচাৰক লৈ, নে ভোট পাবৰ কাৰণে জমিদাৰৰ পৰা আৰম্ভ কৰি মিল মালিকসকলক লৈ যুজ কৰিব খুজিছে? যদি পৰাজিত কৰিব খোজে তেনেহলে অসমৰ শ্ৰমিক জনসাধাৰণক লৈ সমবেত হৈ পৰাজিত কৰিব পাৰিব। পটাদাৰৰ সম্মিলন লৈ চাইকেলৰ চেইনেৰে ৰায়তক মৰা হৈছে। গতিকে কৃষকক লগত ললেহে পৰাজিত কৰিব পাৰিব। তিনি নং কথা হ'ল মই অতি দুখেৰে মুখ্যমন্ত্ৰী ডাঙৰীয়াক শুধিম আপোনাৰ দলৰ ভিতৰত থকা প্ৰতিকি্ৰয়াশীল শক্তি সম্পৰ্কে আপুনি কি কৰিছে? আজি কংগ্ৰেছ চৰকাৰে কিছুমান ভাল ভাল কথাৰ সিদ্ধান্ত কৰে আৰু তাক মুলতে কিছুমানে বাঞ্চাল কৰে। দুটা শক্তিয়ে ইয়াক বাঞ্চাল কৰে এটা হল আমোলাতন্ত্ৰ আৰু দ্বিতীয়টো হ'ল কংগ্ৰেছৰ ভিতৰত থকা শক্তি। এই দুটা শক্তি সম্পৰ্কে আপুনি কি কৰিব খুজিছে। এই দুটাৰ বিৰোদ্ধে যুজ নকৰি আপুনি কাম কাজত আগবাঢ়ি যাবনে? ইংৰাজীত কথা এটা আছে। মই কংগ্ৰেছক সেইটো অনুৰোধ কৰিম। এই প্ৰগতিৰ বাধাত যদি আগবাঢ়ি যাব খোজে তেনেহলে কংগ্ৰেছৰ ভিতৰত থকা বেমাৰটো গুচাওক তাৰ ভিতৰত থকা বাধাখিনি আতৰাওক। তেতিয়া বাহিৰত এই যুজ কৰিব পাৰিব আৰু বাহিৰত যুজ কৰিবলগা হলে সকলোকে সমৱেত কৰিব লাগিব। এতিয়া কথা হ'ল দক্ষিণ পন্থি প্ৰতিক্ৰিয়াশীল শক্তিসমুহে বাধা দিছে এইটো ঠিক। এই শক্তিক শক্তিশালী কোনে কৰিছে? এই শক্তিৰ জন্মস্থান ক'ত? এই শক্তিৰ জন্মস্থান হ'ল কংগ্ৰেছৰ দুৰ্বল নীতিক লৈ কাণ-নকৰাৰ যি মনোভাব জনসাধাৰণক সংঘবদ্ধ হবলৈ নিদিয়াৰ যিটো মনোভাব তাৰ ভিতৰতে সি জন্ম লাভ কৰি শক্তিশালী হয়।

মাননীয় সদস্য শ্ৰী প্ৰমুদ গগৈ ডাঙৰীয়াই যেতিয়া ছোভিয়েট ইউনিয়নৰ উদাহৰণ দিছিল তেতিয়া দুই এজন কংগ্ৰেছী সদস্যৰ গাতো পুৰিছিল। কথাটো আছিল নেচনেল হব লাগে। আজিৰ দিনত নেচনেল্ কৰি ইণ্টাৰ নেচনেল অৱস্থাটো বাদ দি নেচনেল হব নোৱাৰে। কাৰণ আন্তৰ্জাতিক যদি সুস্থ হয় তেনেহলে ই জাতিয়তা বাদৰ বিৰোধী নহয় আৰু জাতীয়তাবাদী যদি সুস্থ হয় তেনেহলে সি আন্তৰ্জাতিকতাৰ বিৰোধী নহয়। আজি আমাৰ আত্ম-নিৰ্ভশীলতাৰ কথা উঠিছে। নিও কলনেল পলিচিৰ কথা বাদ দি কোনোবাই ভাৰতবৰ্ষক আগবঢ়াই নিব পাৰে। মাননীয়া সদস্যা এগৰাকীয়ে কমিউনিষ্ট পাৰ্টিৰ কথা কৈছে যে কংগ্ৰেছৰ মেনেজিং এজেণ্ট। স্বতন্ত্ৰতাৰ মেনেজিং এজেণ্ট হোৱাতকৈ কংগ্ৰেছৰ এজেণ্ট হোৱা বেয়া নহয়। সম্ৰাজ্যবাদীৰ মেনেজিং এজেণ্ট হোৱাতকৈ, একচেতীয়া পুজিপতিৰ মেনেজিং এজেণ্ট হোৱাতকৈ শ্ৰী সিংহৰ এজেণ্ট হোৱাটো বেয়া নহয়। অন্ততঃ শ্ৰী সিংহই মুখেৰে ভাল কথা বতৰা কৈ আছে। কাৰ্য্যত পৰিণত কৰিবলৈ চেষ্টা কৰিছে।

অধ্যক্ষ মহোদয়, কেতিয়াবা কেতিয়াবা মনত বৰ আঘাট লাগে। বৰ আশা কৰি সেই খিনিৰ পৰা বঞ্চিত হলে বেজাৰে খুন্দা মাৰি ধৰে। কংগ্ৰেছৰ চিট বিচাৰি ওচৰ চাপিলে চিট নাপালে খুন্দা মাৰি ধৰে। আগে কংগ্ৰেছ আছিল তাৰ পাছত চিন্দিকেত হ'ল আৰু তাৰ পাছত স্বতন্ত্ৰ। এইটো সতিনীৰ খং।

কিন্তু কংগ্ৰেছ পাৰ্টিৰ সেই সতিনীৰ খং নাই। কমিউনিণ্ট পাৰ্টিয়ে কংগ্ৰেছৰ ওচৰত ভিক্ষা কৰিবলৈ বা অভিমান কৰিবলৈ একো নাই। কমিউ-নিষ্ট পাৰ্টিৰ এটা নীতি আছে মই আগতেওঁ কৈছো যে য'ত যি পাৰ্টিয়ে নহওক কিয় কংগ্ৰেছেই হওঁক বা অকংগ্ৰেছীয়েই হওঁক যাৰ প্ৰগতিশীল নীতি আছে বা লয় আমি তাক সমৰ্থন কৰো। আজি দেশখনক গঢ়দিয়াৰ সময় আহিছে আৰ সেইখিনি দায়ীত্ব কংগ্ৰেছে লৈছে বুলিয়ে আমি কংগ্ৰেছৰ নীতিক সমৰ্থন কৰিছো। মই সদস্য গৰাকীক বুজাই কব বিছাৰিছো তেখেতে সমাজ তন্ত্ৰৰ কথা কৈছে মই তেখেতক ভাৰতৰ স্বাধীনতাৰ বুৰঞ্জী পঢ়িবলৈ অনুৰোধ কৰিছো তেখেত বহুতদিন কংগ্ৰেছী আছিল পাচত চিন্দিকেট কংগ্ৰেছো হৈছে কংগ্ৰেছৰ প্ৰস্তাৱ পঢ়ক। সমাজতন্ত্ৰ ভাৰতবৰ্ষত প্ৰথম ১৯২১ চনত হয়। এচ

এ ডাঙ্গে বোম্বেৰ পৰা এখন চোচিয়েলিষ্ট বুলি কাগজ উলিয়াইছিল সেই কাগজখনত প্ৰথম ভাৰতবৰ্ষৰ সমাজতন্ত্ৰ দাঙি ধৰিছে। ১৯২৫ চনত কমিউনিষ্ট পাৰ্টি গঠন হৈছে আৰু ১৯২৫ চনতে কমিউনিষ্ট পাৰ্টিয়ে সমাজতন্ত্ৰৰ কথা দাঙি ধৰে। তেখেতে এনে পবিত্ৰ সদনত এনে অপবিত্ৰ কথা দাঙি ধৰাত আমি দুখ পাইছো। তেখেতে ভাৰতবৰ্ষৰ বুৰঞ্জী পঢ়ি চাওঁক সেই বিষয়ে তৰ্ক কৰি লাভ নাই।

মই মুখ্যমন্ত্ৰী মহোদয়ক এটা কথা সুধিব খুজিছো যে কোনোবা এগৰাকী মন্ত্ৰীয়ে বোলে কাৰোবাৰ আগত কৈছে তেখেতৰ মনোভাব এইদৰে প্ৰকাশ কৰিছে কোনো কাম বৰ নাই চাৰিওফালে খেলিমেলি কিছুদিন এইভাবে চলি যাব। এইখিনিকে কৈ বক্তৃতাৰ সামৰণি মাৰিলো।

শ্ৰী মতী চৈয়দা আনোৱাৰা টাইমুৰ ঃ অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰী বিজয়-কৃষ্ণ সন্দিকৈ ডাঙৰীয়াই ৰাজ্যপালৰ ভাষণৰ ওপৰত যি ধন্যৱাদ সূচক প্ৰস্তাৱ আনিছে সেই প্ৰস্তাৱ সমৰ্থন কৰিছো।

ৰাজ্যপাল মহোদয়ে তেখেতৰ ভাষণত অসম চৰকাৰে যোৱা বছৰৰ কাৰ্য্যৰ বিষয়ে থূলমূলভাবে এখন ছবি দাঙি ধৰিছে আৰু ভবিষ্যতে কেনেধৰণৰ আগবাঢ়িব তাৰ চমু আভাষ ভাষণত দিছে। আগতে প্ৰতিশ্ৰুতি দিয়ামতে অস্থায়ী ৰাজধানী প্ৰায় সকলোবিলাক কাৰ্য্যালয় ছিলংৰ পৰা দিশপুৰলৈ নমাই আনিছে। এতিয়া আমাৰ ৰাইজৰ সকলোবিলাক কাম সমাধান কৰোতে সহজ আৰু সুবিধাজনক হ'ব। ৰাজ্যপালৰ ভাষণত কোৱা হৈছে যে ষষ্ঠ বিত্ত আয়োগে ৪৩৯'৬২ কোটি টকা চৰকাৰলৈ অনুমোদন কৰিব পাৰিছে আৰু এই টকাৰ পৰিমান এইবাৰেই আটাইটকৈ সৰহ এইবাবে মই ষষ্ঠ বিত্ত আয়োগলৈ আদৰণি জনাইছো।

ৰাজ্যপালৰ ভাষণত দুৰ্নীতি সম্পৰ্কে কোৱা হৈছে যে এই বিষয়ে চৰকাৰে মনোযোগ দিছে। এই ক্ষেত্ৰত কিছুমান বিষয়াক সাময়িকভাবে বৰ্খাষ্ট কৰা হৈছে আৰু কিছু গোচৰ সোনকালে নিস্পত্তি কৰাৰ কথা কৈছে। এই

বিষয়ে মই চৰকাৰক কব খুজিছো যে দূনীতিত অভিযুক্ত কৰা কোনো বিষয়াকে বৰ্খাষ্ট কৰাৰ আগতে তেওঁৰ বিৰুদ্ধে উঠা অভিযোগ চালি জাৰি চাইহে কৰিব লাগে। হঠাত কাৰোবাক বৰ্খাষ্ট কৰি আৰু সেই বৰ্খাষ্ট ৰোধ কৰিলে যিজন বিষয়াক অভিযুক্ত কৰা হল তেওঁক অনাহকতে ৰাইজৰ আগত হেয় পতিপন্ন কৰা হয় আৰু ৰাইজেও তেওঁৰ ওপৰত আস্থা হেৰুৱাই। দূৰ্নীতিৰ ক্ষেত্ৰত চৰকাৰে বিশেষ চকু দিয়াটো নিতান্ত আৱশ্যক হৈ পৰিছে। ৰাইজৰ কাৰণে খাদ্য খোৱাপানী, আৰু ঘৰ এই কেইটা আটাইটকৈ লাগতিয়াল বস্তু। এই সম্পৰ্কে কাম নিশ্চয় হৈছে। মোৰ সমষ্টি মঙ্গলদৈ টাউনত খোৱা পানীৰ এটা আচনি চৰকাৰে গ্ৰহন কৰিছে। মই মুখ্যমন্ত্ৰীক অনুৰোধ জনাও যাতে এই পানী যোগান আচনি অতি সোনকালে কৃতকাৰ্য্য হয়। এই পানী যোগান আচনি কেবল টাউনত আবদ্ধ থাকিলেই নহব আমাৰ গাওঁ অঞ্চললৈ সম্প্ৰসাৰণ কৰিব লাগে। পিচপৰা অঞ্চল বিলাকত খোৱাপানী নোহোৱাটো দুখৰ কথা। উদাহৰণ স্বৰুপে শিয়ালমাৰী, শ্যামাবাৰী মৌজাৰ গাওঁবিলাকত আজিলৈ খোৱা পানী নাই। খৰালী মাহত পানীৰ অভাবত অখাদ্য পানী খাই মানুহ বেমাৰ আজাৰত পৰি ভুগিব লগীয়া হৈছে। গতিকে এনেধৰণৰ পিচপৰা অঞ্চল বিলাকত খোৱাপানীৰ ব্যৱস্থা কৰাটো উচিত।

কৃষিৰ ক্ষেত্ৰত যিখিনি ব্যৱস্থা গ্ৰহন কৰা হৈছে সেইখিনি যথেষ্ট নহয়। খৰালী মাহত আমাৰ খেতিয়ক ৰাইজে পানীৰ অভাবত খেতি কৰিব নোৱাৰে। এতিয়াও বহুত অঞ্চলত পানীৰ কাৰণে খেতি আৰম্ভ কৰিব পৰা নাই। ৰবী শষ্য আচনি আগতেই লোৱা হৈছিল যদিওঁ ভবামতে কৃতকাৰ্য্য নহ'ল। ইয়াৰ মূলতে পানী যোগানৰ অভাব। এই বিষয়টোত চৰকাৰে বেছি মনোযোগ দিয়া উচিত। পানী আৰু মাটি এই দুটা বস্তুৰ অভাৱৰ কাৰণে আমাৰ খেতিয়কে ভালকৈ খেতি কৰিব পৰা নাই। ১০ খন কৃষি নিগম পতা শুনি আমি সন্তোষ পাইছিলো কিন্তু এতিয়ালৈকে মাত্ৰ ২ খন কৃষি নিগমেহে কিছু কামত আগবাঢ়িছে।

তাৰ পিছত মাতিহীন মানুহক লৈ কৃষি নিগম কৰাৰ কথা আছিল। যিবিলাক অঞ্চলত মাতিহীন লোকৰ সংখ্যা বেছি সেই বিলাক অঞ্চলত সেই মাতিহীন লোকসকলক লৈ কৃষি নিগিম কৰাটো চৰকাৰৰ উচিত হব।

মঙ্গলদৈৰ পানবাৰীত এখন কৃষিনিগম কৰাৰ আঁচনি চৰকাৰে গ্ৰহণ কৰিছে। তাত বহুতো মাতিহীন লোক আছে। এই কৃষিনিগম কৰাৰ ক্ষেত্ৰত যাতে মাতিহীন লোকক অনাহকতে উচ্ছেদ কৰিব লগীয়া নহয় তাৰ কাৰণে মই আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টিআকৰ্ষণ কৰিছোঁ।

আমাৰ চৰ এলেকাত বাস কৰা লোকসকলে মাহ সৰিয়হ, ধান-মৰাপাট আৰু নানাধৰণৰ শাকপাছলি আদিৰ খেতি কৰি আমাৰ উত্পাদন বৃদ্ধিত সহায় কৰি আহিছে। বাৰিষাকালত পানীৰ তলত আৰু খৰালি দিনতো এই মানুহ বিলাকে সদায়ে খেতিবাতি আদি কৰি আহিছে। সেই অঞ্চল-বিলাকত মাতিৰ কোনো নিশ্বয়তা নাই। ব্ৰহ্মপুত্ৰৰ গড়াখহনীয়া আৰু বান-পানীয়ে প্ৰায়ে খহাই লৈ যায়। এই অঞ্চলত বাস কৰা লোকসকলৰ গৰু মহৰ ৰিজাৰ্ভ বুলি বা অনান্য কোনো কথাৰ দোহাই দি তেওঁলোকক উৰ্চ্ছেদ কৰা হয়। আনহাতেদি যি বিলাক লোকে এই অঞ্চল বিলাকত বাসকৰে সেই লোকসকলক বাম ঠাইত থকাৰ কাৰণে মাতি দিয়াৰ কোনো বন্দবস্তি চৰকাৰে কৰিব পৰা নাই। ভাংনাবাৰীত প্ৰায় তিনি হাজাৰ কৃষক উচ্ছেদিত হ'ল আৰু নিৰ্ম্মম ভাৱে উচ্ছেদ কৰিবৰ কাৰণে অনান্য চৰ এলেকা বিলাকতো চৰকাৰে ইতিমধ্যেই নটিশ জাৰি কৰিছে। এই ক্ষেত্ৰত মই মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছোঁ যাতে আগন্তুক পঞ্চায়তী নিৰ্ব্বাচনৰ দ্বাৰা নতুন পঞ্চায়ত বোৰ গঠন নোহোৱা পৰ্য্যন্ত এই চৰ এলেকা বোৰত যেন উচ্ছেদ কাৰ্য্য স্থগিত ৰখা হয়। কিয়নো পঞ্চায়ত ইলেকশ্বন বোৰ হৈ যোৱাৰ পিছত সেই নতুন পঞ্চায়তবোৰেই এই বিলাক ব্যৱস্থা থিক মতে কৰিব পাৰিব। এই মানুহ বিলাকৰ অৰ্থনৈতিক উন্নতি সাধন কৰিবৰ কাৰণে মই চৰকাৰক বিশেষভাৱে অনুৰোধ কৰিছোঁ। ৰাজ্যপালৰ ভাষণত দেশৰ নিবনুৱা যুৱক সকলৰ কাৰণে কিছুমান ব্যৱস্থা লোৱাৰ কথা উল্লেখ কৰা হৈছে। আমাৰ মুঠ জনসংখ্যাৰ অধিকংশই মহিলা আৰু এই মহিলা সকলৰ বেছিভাগেই নিবনুৱা। এইক্ষেত্ৰত আগৰ বাজেট অধিবেশনত কেইবাগৰাকী মহিলা সদস্যাই ৰাজ্যপালৰ ভাষণত মহিলা সকলৰ কাৰণে বিশেষ কোনো উন্নয়ণমূলক আচঁনি নাই লোৱা বুলি কৈছে আৰু আজি মইও কওঁ যে, ভাৰতবৰ্ষৰ নিছিনা এখন সমাজবাদী ৰাষ্ট্ৰত নাড়ীশক্তিক অৰ্থনৈতিক উন্নতিৰ কামত আগুৱাই নিবৰ কাৰণে কোনো আচনিৰ উল্লেখ ৰাজ্যপালৰ ভাষণত নথকাত আমি বৰ দুখ পাইছোঁ। আমাৰ সমাজ

কল্যাণ বিভাগ আছে, পশুপালন, কুটিৰ শিল্পকে আদি কৰি অনান্য যিবিলাক শিল্প বিভাগ আছে সেই বিভাগ বিলাকৰ যোগেদি যাতে মহিলা সকলে দেশৰ আৰ্থিক উন্নতি সাধনত বৰঙণি যোগাব পাৰে তাৰ কাৰণে বিস্তৃত আচঁনি আদি গ্ৰহন কৰিবলৈ আৰু তাৰ যোগেদি মহিলা সকলৰ নিবনুৱা সমস্যা সমাধান কৰিবলৈ মই আমাৰ চৰকাৰক বিশেষ ভাৱে চিন্তা কৰি চাবলৈ অনুৰোধ জনাইছেঁা। তাৰোপৰি, অনান্য দেশত এখন সমাজবাদী ৰাষ্ট্ৰট সকলো ক্ষেত্ৰতে আমাৰ মহিলা সকলে যি ধৰণে স্থান অধিকাৰ কৰিব পাৰিব লাগিছিল সেইধৰণে স্থান অধিকাৰ কৰিব পৰা নাই বুলিয়েই কবপাৰি। এই বিষয়েও মই আমাৰ চৰকাৰৰ বিশেষ দৃষ্টি আৰ্কষণ কৰিছেঁা। এক বিৰাট অংশৰ মহিলাই যাতে আমাৰ দেশত অৰ্থনৈতিক উন্নতিত অৰিহনা যোগাব পাৰে তাৰ কাৰণে বিশেষ ধৰণৰ আঁচনি যুগুত কৰিবলৈ মই আমাৰ মাননীয় মুখ্যমন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিছেঁা। এনেকুৱা আচঁনি গ্ৰহন কৰিলে আমাৰ মহিলা সকল তাৰ প্ৰতি আগ্ৰহান্বিত হব আৰু তাৰ যোগেদি আমাৰ চৰকাৰে সেই আঁচনিবোৰ কাৰ্য্যকৰী কৰিবলৈ ব্যৱস্থা লোৱাটো উচিত হব।

ইয়াৰ পিছত মই আমাৰ শিক্ষাৰ ক্ষেত্ৰত কওঁ যে, চৰকাৰে এটা সুস্থ শিক্ষা নীতি গ্ৰহণ কৰিব লাগে। অঞ্চল বিশেষে শিক্ষাৰ ক্ষেত্ৰত চৰকাৰৰ বৈষম্যমুলক নীতি থকা দেখা যায়। উদাহৰণ স্বৰূপে গোলাঘাট মহকুমাত প্ৰায় ৬ লাখ জনসংখ্যাৰ ভিতৰত ৩৯ খন হাইস্কুল আছে আৰু মঙ্গলদৈ মহকুমাত প্ৰায় চাৰে আঠ লাখৰো ওপৰ জনসংখ্যাৰ ভিতৰত থকা হাইস্কুলৰ সংখ্যা হৈছে মাত্ৰ ২৪ খনহে। মঙ্গলদৈ মহকুমাত পূব অঞ্চলত এখনো কলেজ নাই। সেই অঞ্চলত হাইস্কুল আৰু প্ৰাথমিক শিক্ষাৰ স্কুল লেখনত কেইখনমানহে মাত্ৰ। এইবোৰ অঞ্চলত স্কুল আদি খুলিবৰ কাৰণে চৰকাৰে নীতি গ্ৰহন কৰা উচিত আৰু পিছপৰা অঞ্চল বিলাক আগুৱাই নিবৰ কাৰণে আঁচনি গ্ৰহন কৰা উচিত। ৰাজ্যপালৰ ভাষণত অনুসূচীত আৰু তপশীলভুক্ত লোক সকলক আগুৱাই নিবৰ কাৰণে বিশেষ ব্যৱস্থাৰ উল্লেখ কৰাৰ কাৰণে মই আনন্দিত হৈছেঁা। এই বিলাক সম্প্ৰদায়ক আগুৱাই নিবৰ কাৰণে বিশেষ-ভাৱে চৰকাৰে চকু দিবলাগে বুলি মই ভাবেঁা। আমাৰ সংখ্যালঘু সম্প্ৰদায়ৰ প্ৰায় চাৰি ভাগৰ এভাগ মুছলমান মানুহ এখেত সকলৰ মাজত আজি হতাশাই দেখা দিয়াৰ ফলত কিছু অশান্তিয়ে দেখা দিছে। আমাৰ সমাজৰ তপশীলভুক্ত

আৰু অনান্য অনসূচিত জাতি আৰু জনজাতিৰ লোকসকলৰ উন্নতিৰ কাৰণে চৰকাৰে গ্ৰহণ কৰিব খোজা আঁচনি বিলাকৰ দৰে এই লোকসকলৰ উন্নতিৰ কাৰণেও চৰকাৰে তেনেকুৱা আঁচনি আদি গ্ৰহণ কৰা উচিত হব। দেশ স্বাধীন হোৱাৰ সময়ত সাম্প্ৰদায়িক ভিত্তিত আমাৰ ভাৰতবৰ্ষ দুটা ভাগত ভাগ হোৱাৰ পিছত তাৰ কাৰণে আৰু বেলেগ প্ৰশ্ন অৱতাৰণা কৰাৰ কোনো থল নাছিল। কিন্তু অৰ্থনৈতিক ক্ষেত্ৰত তেওঁবিলাক আজি হতাশ হোৱাৰ ফলত আমাৰ যুৱক সকলৰ মাজত এক আন্দোলন মুখী মনোভাৱে দেখা দিছে। সেইকাৰণে এই দৃষ্টিকোনৰ পৰা লক্ষ কৰিলে তেওঁলোকৰ মাজৰ পৰা অৰ্থনৈতিক দুৰৱস্থা দুৰীভূত কৰিবলৈ চেষ্টা কৰি আঁচনি গ্ৰহন কৰিলে যি আন্দোলন তেওঁলোকে চলাব খুজিছে সি নাইকীয়া হৈ যাব।

সন্মানিত সদশ্য সকলে আমাৰ গুৱাহাটী পৌৰনিগমৰ নিৰ্ব্বাচনৰ ফলাফলৰ যোগেদি কংগ্ৰেছৰ প্ৰতি ৰাইজৰ কোনো আস্থা নাইকীয়া হৈ গৈছে বুলি দৰ্শাবলৈ চেষ্টা কৰিছে। এই ক্ষেত্ৰত মই কবখুজিছোঁ যে, এই বিলাক নিৰ্ব্বাচন আমাৰ কেৱল নগৰ চহৰতহে হয়, গাওঁ অঞ্চলত এনেকুৱা নিৰ্ব্বাচন নহয়। কিছুমান প্ৰতিক্ৰীয়াশীল শক্তিয়ে চৰকাৰে গ্ৰহণ কৰিব খোজা প্ৰগতিশীল আঁচনি বোৰ ব্যৰ্থ কৰিবৰ কাৰণে চেষ্টা কৰাৰ ফলত পৌৰ নিৰ্ব্বাচনৰ ফল বেয়া হব পাৰে কিন্তু এই বিলাকৰ জয় পৰাজয়ে আমাৰ কংগ্ৰেছ অনুষ্ঠানৰ দুৰ্ব্বলতা নুসূচায়।

এতিয়া আমি দেখিবলৈ পাইছোঁ যে পৌৰ সভাৰ কোনো দলকে ৰাইজে বাচি লোৱা নাই, যদিও নিৰ্ব্বাচন হৈ গ'ল, কোন দলে আজি পৌৰ সভাৰ কাম কাজ পৰিচালনা কৰিব 'মেয়ৰ' কোন হব ইত্যাদিৰ স্থীৰ সিদ্ধান্তত আহিব পৰা নাই। আনকি পৌৰ সভা স্থায়ী হব নে নহয় তাতো সন্দেহ প্ৰকাশ হৈছে। ৰাইজে আশা প্ৰকাশ কৰিছিল যে ৰাজধানী গুৱাহাটীত প্ৰতিস্থিত হোৱাৰ পিচত পৌৰ সভাৰ নিৰ্ব্বাচন হৈ যোৱাৰ পাচত গুৱাহাটী চহৰ খন বেচ চাফ-চিকুন আৰু আহল বহল চহৰ হৈ পৰিব কিন্তু সেই লক্ষ্যত নিগম কিমান দুৰ ফলবৰ্ত্তি হব তাত ৰাইজৰ এতিয়া সন্দেহ হৈছে। যি কি নহওক গুৱাহাটী চহৰখন এখন সৰ্বাঙ্গ সুন্দৰ আৰু চাফ-চিকুন চহৰ হওক তাকে কামনা কৰিলো।

আমাৰ বিৰোধী দলৰ সদস্য সকলে বিশেষকৈ মাননীয় সদস্যা বৰকটকীয়ে যুৱক কংগ্ৰেছৰ দূৰ্নীতি আৰু আসোৱাহ বোৰৰ কথা উল্লেখ কৰিছিল অবশ্যে প্ৰধান কংগ্ৰেছৰ বিষয়ে কোনো কথা উল্লেখ কৰা নাছিল। অসম যুৱক কংগ্ৰেছৰ লগতে নিখিল ভাৰত যুৱক কংগ্ৰেছ কমিটি আছে এনে ক্ষেত্ৰত যদি অসম যুৱক কংগ্ৰেছে কোনো ধৰণৰ দূৰ্নীতি মুলক কামত লিপ্ত হয় তেতিয়াহলে স্বাভাৱিকতে তাৰ শাস্তিমুলক ব্যৱস্থা লোৱা হয়। আমি তেনে দুৰ্নীতি আৰু শাস্তিৰ কথা শুনা নাই।

উপাধ্যক্ষ মহোদয়, মই আপোনাৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছোঁ যে যি সকল বিধান সভাৰ সদস্যই সদনত চৰকাৰৰ তথা ৰাইজৰ কিছুমান আদৰ্শমুলক পৰামৰ্শ আগবঢ়াব পাৰে সেই সকলক যথেষ্ট সময় দিব লাগে। আনৰ ব্যক্তিগত চিঠি পঢ়ি সদনৰ সময় নষ্ট নকৰাই ভাল বুলি আমি ভাবো আৰু এই খিনিকে কৈ মোৰ ব্যক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰী গোলাপ বৰবৰা : মাননীয় উপাধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ প্ৰতি সম্বৰ্দ্ধনা জনাই আৰু সমৰ্থন জনাই মই দুষাৰমান কবৰ কাৰণে থিয় হৈছোঁ। ৰাজ্যপালৰ ভাষণত অসমৰ ৰাজধানী অস্থায়ী ভাৱে হলেও শ্বিলংৰ পৰা আনি দিছপুৰত যোৱা ২৬ তাৰিখে দিছপুৰ অসমৰ অস্থায়ী ৰাজধানী হিচাবে ঘোষণা কৰাতো আৰু এই বাজেট অধিবেষন কৃতকাৰ্য্য কৰাত সফলকাম হোৱাৰ কাৰণে আমি প্ৰশংসা কৰিছো আৰু ই প্ৰকৃততেই প্ৰশংসাৰ কাম হৈছে। ইয়াৰ বাহিৰেও ৰাজ্যপালৰ ভাষণত কেইটামান দৰকাৰী কামৰ বিষয়ে প্ৰস্তাৱ আছিল তাৰ ভিতৰত প্ৰধানকৈ কৃষি পাম নিগম, পাইকাৰী ব্যৱসায় আৰু পঞ্চায়ত গঠন। এই তিনিওটা বিষয়ৰ লগত আমাৰ কৃষক তথা দুখীয়া ৰাইজ ওতঃপ্ৰোতঃ ভাৱে জৰীত। এই কেইটা বিষয়ত চৰকাৰে লোৱা আঁচনি সমূহ ৰাইজে চৰকাৰৰ বিষয় ববীয়া সকলে আৰু বিৰোধী দলে সকলোৱে এক গোট হৈ ভাল দৰে কাম কৰিলে আমি নিশ্চয় এই বিষয় কেইটাত দ্ৰুতগতিত আগবাঢ়ি যাব পাৰিম।

আমি সকলোৱে জানো ভাৰতবৰ্ষ এখন কৃষিপ্ৰধান দেশ আৰু অসমৰো অৱস্থা তদনুৰূপ, অসমৰ আজি অধিক সংখ্যক জনসংখ্যা কৃষক আৰু কৃষক

সকলৰ নানা ধৰণৰ সমস্যা সমাধান কৰিবলৈ যাওতে আমাৰ আগৰে পৰা চলি অহা নীতিৰ নিয়মানুযায়ী আমাৰ কৃষক সকলৰ সমস্যাবোৰৰ এটা সুমীমাংসা কৰিব লাগিব নহলে এই গৰীৱ খেতিয়ক আৰু কৃষক শ্ৰেণীয়ে এই সমস্যাবোৰৰ পৰা হাত সৰাতো সহজ কথা নহব। গতিকে এনেবোৰ সমস্যা সমাধান কৰাৰ উদ্দেশ্য আমি সমাজখন সংশোধন কৰিবলৈ যাওতে আমি কেইটামান ভুমিকা লব লাগিব। প্ৰথম অৱস্থাতেই দেখা যায় মাটিৰ সৰ্ব্বোচ নিদ্ধাৰণ আইন ৫০ বিঘালৈ অনা হ'ল কিন্তু তথাপিতো জানো এই মাটি উলিয়াই আমাৰ গৰীব খেতিয়ক সকলক, ভুমিহীন খেতিয়ক সকলক মাটি উলিয়াই দিয়াতো সহজ কথা হব, ই যে এটা বিৰাট কষ্ট-কৰ কাম হব সেইটো আমি সকলোৱে জানো। সেই কাৰণেই আজি পঞ্চায়ত গঠনৰ দ্বাৰা এনেকুৱা বিলাক কৃষকৰ প্ৰধান সমস্যালৈ প্ৰত্যক্ষ ভাৱে চকু দিবলৈ সুবিধা হব, সকলোৱে এক গোট হৈ কৃষকৰ সমস্যবোৰ আলোচনা কৰিবলৈ সুবিধা পাব আৰু বেচিকৈ মাটি থকা লোকৰ পৰা মাটি অধিগ্ৰহন কৰি ভুমিহীন কৃষক সকলক পটন দিবলৈ সুবিধা কৰিব পাৰিব। গতিকে কৃষকৰ ভুমি তথা আন আন লাগতিয়াল সকলো সমস্যাকে সমাধান কৰাত এই পঞ্চায়ত গঠনে এক বিৰাট ভুমিকা গ্ৰহন কৰিব।

অহা এপ্ৰিল মাহত হব পঞ্চায়ত নিৰ্বাচনত হব, ৰাইজে তালৈ নিজৰ প্ৰতিনিধি পঠাব আৰু তাৰ দ্বাৰাই সমাজৰ দুৰ্বল শ্ৰেণীৰ লোকে সা-সুবিধা পাব আৰু সেই সা-সুবিধা দিবৰ কাৰণে চৰকাৰ আজি প্ৰতিজ্ঞাবদ্ধ হৈ আছে আৰু লগে লগে আমাৰ যিটো পাইকাৰী ব্যৱসায় আছে বা লোৱাৰ ব্যৱস্থা কৰিছে সেই ব্যৱস্থায়ো পঞ্চায়তৰ লগত থাকিব পঞ্চায়তে যদি পাইকাৰী ব্যৱসায়ৰ কামত সহায় কৰে নিশ্চয় ই কৃষিসমস্যা সমাধান কৰাত যথেষ্ট সহায়ক হব। দেখা যায় য'ত ধান-চাউল প্ৰক্ৰিয়ৰ কৰে তাত ধৰিব লাগিব ৰাহী হৈছো, আৰু য'ত ৰাহী হোৱা নাই বুজিব লাগিব তাত প্ৰক্ৰিয়োৰ হোৱা নাই কিন্তু ধান কিনাৰ পাছত হোৱা নাই য'ত ৰাহী হৈছে তাত কিনাৰ পাছত হৈছে। কিন্তু ভৰা দিবলগীয়া হৈছে য'ত ৰাহী নাই তাতো কিনা-বেচা চলি আছে। পাইকাৰী ব্যৱসায়, ঘাটি হওক ব' ৰাহীয়েই হওক সামান্যকে হলেও অন্তত কৃষক সকলক সকলো খিনি সা-সুবিধা দিবপৰা হব আৰু উতপাদনৰ আটাইখিনি কিনিবপৰা হব আৰু তেওঁলোকে যিখিনি আমদানী

কৰিবলগীয়া হয় সেই খিনি পঞ্চায়তৰ দ্বাৰা পাইকাৰী ব্যৱসায়ৰ জৰীয়তে থিক ভাৱে কৃষকক দিব পৰা হব। পাইকাৰী ব্যৱসায়ৰ জৰীয়তে কৃষক সকলক সা-সুবিধা খিনি থিক মতে দিব পৰা হব।

আজি পৰিকল্পনা শেষ হ'ল কিন্তু আজিলৈকে ভূমিসমস্যা সমাধান কৰিব পৰা নগ'ল। জলসিঞ্চনৰ সুপৰিকল্পত ব্যৱস্থা কৰিব পৰা নগল। বানপানীৰ পিচত যাতে কোনো অসুবিধা নোপোৱাকৈ খেতিয়ক সকলে খেতি কৰিব পাৰে তাৰ কোনো দিহা কৰিব পৰা নহল। পানী যোগানৰ উপযুক্ত ব্যৱস্থা হাতত লব পৰা হলে কৃষকৰ অধিকশস্য উতপাদন, ভূমিহীন খেতিয়কক মাটি দিব পৰা হলে খেতিয়ক সকলৰ আৰ্থিক স্বচ্ছলতা লাভ কৰিব পাৰিলেহেতেন। এই বিলাকৰ দ্বাৰাই আমাৰ দেশৰ কৃষি উতপাদন বৃদ্ধি কৰিব পৰা গ'লহেতেন।

যদি ইৰিগেচন ব্যৱস্থা অসমত ভাল কৰিব পাৰিলেহেতেন তেনেহলে কৃষি উতপাদন নাইবা কৃষকৰ মাটিৰ সমস্যা এই ইৰিগেচন ব্যৱস্থাৰেই সমাধান কৰিব পাৰিলে হেতেন। কিন্তু এই ব্যৱস্থাত আজি আমাৰ চৰকাৰ আগবাঢ়িব পৰা নাই। মই নিজেই এজন খেতিয়ক গতিকে মই কওঁযে, এজন মানুহে প্ৰকৃত খেতিয়ক হলে ১৫ বিঘা মাটিত ৩ টা ফচল কৰিব পাৰে। এই ৩টা ফচল ভাল হবৰ কাৰণে কৃষকক ভাল পানী যোগান ব্যৱস্থা দিব লাগিব। যোৱা বছৰৰ আগৰ বছৰ ঘেহু খেতি কৰিবৰ বাবে ৭ কোটি টকা খৰছ কৰিছে। কিন্তু ঘেহু উতপাদন নহল। কৃষকৰ গাত যে দোষ নাই এনে নহয়, কিছুমানে ঘেহুৰ লৈছে বিক্ৰি কৰিছে। সকলো মানুহে শুদ্ধ নহয়। কিন্তু এই বাৰ চৰকাৰে দিয়া, পঞ্চায়তৰ জৰিয়তে ঘেহুৰ বীজ আনি খেতি কৰিছে। এইবাৰো পানীযোগানৰ ব্যৱস্থ নাই কিন্তু ভাল খেতি হৈছে। ইয়াৰ কাৰণ হৈছে এইবাৰ বৰষুণৰ প্ৰকোপ বেচি। অৱশ্য মই আন ঠাইৰ কথা সঠিককৈ কোৱা নাই। আমাৰ নগাওঁ অঞ্চলৰ কথাহে কৈছো। গতিকে চৰকাৰে ততপৰতাৰে পানীযোগান ব্যৱস্থা কৰিব লাগে। ব্ৰহ্মপুত্ৰৰ বান্ধৰ কথা কৈ কৈ ইৰিগেচনৰ ব্যৱস্থা নকৰি খেতিয়কক ফচল দি খেতি কৰিবলৈ দিলেই সমস্যা সমাধান নহয়, ইয়াৰ বাবে পানী যোগানৰ ব্যৱস্থা কৰিব লাগিব। আজি ১৯৬৪ চনৰ পৰা ১৯৭৪ চন পালেই, ইৰিগেচনৰ ব্যৱস্থা হব হব বুলিয়েই। আজি ৫ বছৰে অফিচ দেখিছো বহি আছে। কিন্তু কোনো কাম হোৱা নাই। তেওঁলোকে মেছিনাৰী আনিছে, নতুন ফচল আনিছে অথচ পানী যোগানৰ ব্যৱস্থা কৰা নাই।

ইৰিগেচনৰ বিভাগটোত এজনে এজনৰ গাত দোষ দি বহি আছে। কিন্তু কলীয়াবৰ ইৰিগেচন ব্যৱস্থাৰ কোনো স্পষ্ট আভাষ পোৱা নাই। এই আচনি কাৰ্য্যকৰি কৰিবৰ বাবে চৰকাৰে তত্পৰ ব্যৱস্থা লব লাগে। আনহাতে অন্য ব্যৱস্থা কৰিবলৈ বুলি কলিয়াবৰৰ বাইজে চেল্লো টিউবেল বহাবৰ বাবে কাৰেণ্ট বিছাৰিছিল কিন্তু চৰকাৰে, ইৰিগেচন ব্যৱস্থা হবই যেতিয়া সাময়ীক ভাবে কাৰেণ্ট আনিব নালাগে বুলি কৈ থলে। এইদৰে কৃষক সকলে কৃষিবিষয়ত পিচপৰি থাকিল। মই এই বিষয়ত বিযেশকৈ মুখ্যমন্ত্ৰী ডাঙৰীয়াক টানি অনুৰোধ জনাওয়ে বিশেষভাবে তত্পৰ ব্যৱস্থা লব। আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই যিকাম কৰে স্পষ্ট ভাবে কৰে। মই আৰু এটা কথা কবখুজিছো যে ৰাজধানী অস্থায়ীভাবে অনা ক্ষেত্ৰত মুখ্যমন্ত্ৰীয়ে স্পষ্টভাবে কৈছিল আৰু সেই স্পষ্টতাৰে ৰাজধানী ঘোষণা কৰিলে। গতিকে যি ক্ষেত্ৰতেই নহওঁক লাগিলে সকলো কথাতে, সকলো কামতে স্পষ্ট হবলাগে। গুৱাহাটীৰ প্ৰতি মোৰ বিকল্প মনোভাব নাই। কিন্তু আজি ১৪ বছৰৰ আগতে যদি দিছপুৰত বৰ্ত্তমান অস্থায়ী ৰাজধানী ঘোষণা নকৰি স্থায়ী ৰাজধানী থাকিলহেতেন। অসমৰ আজি যি গুৱাহাটী সি আগৰ গুৱাহাটী নহয়। অসমত এখন নতুনকৈ সুন্দৰ-ভাবে ৰাজধানী স্থাপন কৰিব লগা হৈছে। উজনি অসম ইণ্ডাষ্টিয়েল দেভেলাপমেণ্ট আৰু নামনি অসম কমাৰছিয়েল ষ্টেত্। এই দুখন ঠাইৰ মাজত ৰাজধানী পাতি সুকিয়াকৈ, শান্তিপুৰ্ণ ভাবে ৰাজ্যৰ সমস্যা সমাধান কৰিবলৈ জানো সকলোৱে নিবিছাৰে?

সেই কাৰণে মই আজি আশা কৰিছিলো যে স্থায়ী ৰাজধানীৰ কথা ৰাজ্যপালৰ ভাষণত আহিব, তাৰ উল্লেখ থাকিব কিন্তু তাৰ কোনো ইঙ্গিত নাই। আমাৰ অসমৰ জনসাধাৰণে অসমৰ স্থায়ী ৰাজধানী ক'ত হব তাক খাতাং কৰিব। যিমান সোনকালে পাৰে সিমান সোনকালে স্থায়ী ৰাজধানীৰ স্থান ঘোষণা কৰিবলৈ মই অনুৰোধ কৰিলো। ইয়াৰ কাৰণেও কেন্দ্ৰৰ কথালৈ থাকিব লাগিব নে? নিশ্চয় নালাগে। অসমৰ মঙ্গলৰ কাৰণে চিন্তা কৰা মানুহ নিশ্চয় অসমত আছে। অসমৰ ৰাজধানী ক'ত হলে ভাল হব সেই কথাৰ খৰতকীয়া সিদ্ধান্ত লব পৰা মানুহ অসমত আছে। অসমৰ জনসাধাৰণে সেই সিদ্ধান্ত লব পাৰিব বুলিয়েই মোৰ বিশ্বাস। অসমৰ ৰাজধানীৰ সংক্ৰান্তত কোনো বিশেষজ্ঞই মত দিব আৰু তালৈ আমি ৰৈ থাকিম সেইটো কথা নহয়।

আমাৰ জনসাধাৰণেই ঠিক কৰিব ইয়াৰ স্থান। অসমৰ ৰাইজৰ মতৰ সপক্ষেই খাতাং হোৱাটো আমিও বিচাৰো। আজি পচিশ বছৰ হ'ল। আমি কি কৰিছো ? ব্ৰহ্মপুত্ৰৰ উপৰত দ্বিতীয় এখন দলং নিৰ্ম্মানেই কৰিব পৰা নাই। উত্তৰ পাৰ আৰু দক্ষিণ পাৰৰ সংযোগ ঘটাব পৰা নাই। মই কওঁ ইয়াৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ পৰা ঋণ লৈ হলেও অসম চৰকাৰে দলং এখন ভোমোৰাগুৰি তেজপুৰত তৈয়াৰ কৰিব লাগে। তাৰ কাৰণে দৰকাৰ হলে অসমৰ ৰাইজে কৰ আদি দি হলেও যাতায়াত কৰিবলৈ সাজু আছে। আজি তেজপুৰ ভোমোৰাগুৰিৰে কাৰ এখন পাৰ কৰিবলৈ পোন্ধৰ টকা লাগে, ট্ৰাক এখন পাৰ কৰিবলৈ হলে পঞ্চাশ টকা লাগে। কিন্তু দলং হলে ৰাইজে পচিশ টকা কৰ ভৰি হলেও ট্ৰাক পাৰ কৰিবলৈ সাজু আছে। দ্বিতীয় দলং খন দি আওহতীয়া ঠাইখন পোনহতীয়া কৰাৰ কাৰণে মই চৰকাৰক অনুৰোধ জনালোঁ।

মই আশা কৰিছিলো ৰাজ্যপালৰ ভাষণত এই বিলাক কথাৰ আভাষ পাম কিন্তু নাপালো। আজি অসম চৰকাৰৰ চাৰিশ কোটি টকা ধাৰ আছে, আৰু লাগে যদি ৩০-৪০ কোটি টকা ধাৰ কৰি হলেও দ্বিতীয় এখন দলং তৈয়াৰ কৰিবলৈ মই আহ্বান জনাইছো। তাৰ কাৰণে ৰাইজে কৰ দি হলেও যাতায়াত কৰিবলৈ সাজু আছে।

অধ্যক্ষ ঃ আপুনি শেষ কৰক।

শ্ৰী গোলাপ বৰুৱা ঃ মই কলিয়াবৰ সমষ্টিৰ সদস্য কাৰণেই বিচৰা নাই। নগাওঁ বা গুৱাহাটী দিনে অহা যোৱা কৰিবপৰা হৈছে। আমাৰ অসুবিধা একো নাই। কিন্তু অসমৰ ৰাইজে কৈছে শিলঘাট হলে এখন আদৰ্শ মহানগৰী হব পাৰে। আজিলৈকে পৰিকল্পিত ভাৱে অসমত কোনো নগৰ প্ৰতিস্থা হোৱা নাই। ৰাজধানীৰ নামত যেনিবা এখন তৈয়াৰ হলেই তাত আমাৰ আপত্তি নাই। সেয়ে আমি বিচাৰিছো খাতাং ভাৱে স্থায়ী ৰাজধানীৰ স্থান ঘোষণা কৰিব লাগে আৰু পৰিকল্পিতভাৱে এখন মহানগৰী অসমত স্থাপন হব লাগে।

অধ্যক্ষ মহোদয়, বান নিয়ন্ত্ৰণৰ কথা কবলৈ যাওঁতে মই যদি বান নিয়ন্ত্ৰণৰ সমস্যাৰ দু-আষাৰমান নকওঁ মোৰ ভুল হব। যোৱাবাৰ ভোমোৰাগুৰিত নগাওঁ

টাউন প্ৰটেকচনৰ কাৰণে এটা বান্ধ দিছিল, হাতীমৰা নামৰ সেই বান্ধটো বানপানী আৰু গড়াখহনীয়াই ভাঙি নিলে আৰু তেতিয়া বিধান সভা বহি থকা অৱস্থাতে জখলাবন্ধা-শিলঘাটত এটা ৰাস্তা মথাউৰি কৰি বন্ধাই দিলে ই-এণ্ড-ডি বিভাগে। কিন্তু হঠাত পানী আহিল আৰু সেইটো ভাঙি গ'ল। মই মুখ্যমন্ত্ৰী ডাঙৰীয়াক আগতেই কৈছিলো আৰু সেয়েই হ'ল বান্ধ ভাঙি কলিয়াবৰত পানী হ'ল আৰু কলঙৰ সৃষ্টি হৈছিল। চেয়াৰম্যানক সোধাত কৈছিল তেওঁৰ দায়িত্ব থকা বুলি কিন্তু এই ধৰণে কাকো নোসোধাকৈ এটা কাম কৰি সেই অঞ্চলৰ ৰাইজক মৃত্যু মুখলৈ ঠেলি পঠিওৱাটো উচিত নিশ্চয় হোৱা নাই। মই আগতেই কৈছিলো কলঙৰ সৃষ্টি হব বুলি আৰু তেৰ খন কাঠৰ দলং ভাঙিব বুলি কৈছিলো কিন্তু সত্যকৈ তেৰখন নাভাঙিল যদিও চাৰিখন ভাঙিল। আৰু তিনিটা মৌজা প্লাৱিত কৰিলে। সেই কাৰণে বান নিয়ন্ত্ৰণ বিভাগৰ কামৰ প্ৰতি চৰকাৰক চোকা নজৰ দিবলৈ অনুৰোধ কৰিলো কাৰণ এই বিভাগৰ কোনো উৱাদিহ পোৱা নাই। য'ত আৱশ্যক হয় তাত খৰচ কৰে আৰু য'ত অনাৱশ্যক তাতে খৰচ কৰে।

অধ্যক্ষ ঃ শেষ কৰক। ( সময়ত সংকেত )

শ্ৰী গোলাপ বৰুৱা ঃ অধ্যক্ষ মহোদয়, দীঘলীয়া কৰিব খোজা নাই। এটা কথা কব খুজিছো। আৰু সেইটো কৈয়েই সামৰণি মাৰিম। নগাওঁ জিলাৰ লুটুমা আৰু বাকী অঞ্চলত যি উচ্ছেদ কাৰ্য্য কৰিছে সেইটো কামৰ কাৰণে চৰকাৰৰ শলাগ লৈছোঁ। কিয়নো দালাল আৰু মাটিথকা মানুহ কিছুমানক উচ্ছেদ কৰি চৰকাৰে ভাল কামেই কৰিছে। কিন্তু তাৰ লগে লগে এই কথাও কওঁ যে প্ৰকৃত দৰিদ্ৰ খেতিয়ক যিখিনিৰ আচলতে মাটি নাই সেই ভূমিহীন খেতিয়ক খিনিক যদি মাটি দিয়াৰ ব্যৱস্থা নকৰে তেনেহলে তেওঁলোকৰ অৱস্থা উত্তৰোত্তৰ বেয়া হৈ যাব ধৰিছে। সেই কাৰণে নিগম আদি কৰি হলেও তাৰ যোগেদি ভূমিহীন লোক সকলক মাটি দিয়াৰ প্ৰতি চৰকাৰৰ মনোযোগ আকৰ্ষণ কৰিলো। চৰকাৰ যেন সেই সকলৰ প্ৰতি অলপ সদয় হয় আৰু যদিও সেই বিলাক ফৰেষ্টৰ মাটি সেই মাটি আচলতে খেতিৰ উপযোগী ঠাই গতিকে সেই মাটি খিনি ফৰেষ্ট বিভাগৰ পৰা কৃষি বিভাগলৈ আনি নিগম

আদি কৰি হলেও তাৰ যোগেদি প্ৰকৃত ভূমিহীন মানুহ খিনিৰ মাজত বিতৰণ কৰিব পাৰিলে ভাল হয়। ইয়াকে কৈ মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

অধ্যক্ষ ঃ শ্ৰী ৰাম চন্দ্ৰ শৰ্ম্মা।

শ্ৰী ৰাজেন ফুকন ঃ অধ্যক্ষ মহোদয়, আমাৰ ফালৰ পৰা তুজন আৰু বিৰোধী দলৰ পৰা এজনে কোৱাৰ ব্যৱস্থা হলে ভাল, ইয়াকে অনুৰোধ কৰো কিয়নো আমাৰ ফালৰ বহুত সদস্যই কবলৈ আছে।

শ্ৰীশ্ৰী ৰামচন্দ্ৰ শৰ্ম্মা ঃ অধ্যক্ষ মহোদয়, আমাৰ বহুকেইজন সদস্যই এই বিষয়ত ৰাজ্যপালক ধন্যবাদ দিছে তেখেতৰ ভাষণৰ কাৰণে মইও যদিও একো কাম হোৱা নাই তথাপি সময় মতে এই প্ৰতিকাখন সময় মতে ছপা কৰি আমাৰ ইয়াত দাঙি ধৰা বাবে ৰাজ্যপাল তথা চৰকাৰক ধন্যবাদ জনাইছো। ইয়াত ৰাজ্যপালৰ ভাষণত দূৰ্নীতি নিবাৰণ কৰিবৰ কাৰণে চৰকাৰে যথেষ্ট চেষ্টা চলোৱা বুলি কৈছে। তাৰ কাৰণেও মই ৰাজ্যপালক ধন্যবাদ দিছো কিয়নো তেখেতে যে স্বীকাৰ কৰিছে দূৰ্নীতি থকা বুলি কিয়নো দূৰ্নীতি নথকা হলে নিবাৰণৰ কাৰণে প্ৰচেষ্টা চলোৱা কথাৰ উল্লেখ নকৰিলেহেতেন। ইমানদিনে থকা দূৰ্নীতি আঁতৰোৱাত চৰকাৰ কৃতকাৰ্য্য হব পৰা নাই। যোৱা পচিশ বছৰৰ ভিতৰত দূৰ্নীতিপৰায়ণ লোক সকলক আঁতৰাব পৰা নাই। এতিয়া যিহেতু প্ৰশাসনীয় দূৰ্নীতি সংস্কাৰ কৰাৰ কথা চিন্তা কৰিছে তাৰ কাৰণে মই ধন্যবাদ দিছো। ইয়াৰ লগে লগে মই চৰকাৰক সুধিব বিচাৰিছো যে এই প্ৰশাসনীয় যন্ত্ৰটো কি আৰু দূৰ্নীতি কেনেকৈ সোমাই আছে? কিয়নো সুদা টিঙত পানী ঢালিলে সি কেতিয়াও নভৰে কিয়নো তাত পানী নাথাকে কিন্তু আজি ইমান দিনেই এই প্ৰশাসনীয় যন্ত্ৰটোৰ পৰা দূৰ্নীতি বাহিৰ কৰিব পৰা নাই। দূৰ্নীতি গুৰিৰ পৰাই অৰ্থাত ওপৰৰ পৰাই আছে। কিয়নো যোৱা বাৰ বিধান সভাত পাচ কৰা বিল এখন চহী হবলৈয়ে ৪-৫ মাহ সময় লাগে। ৰাজ্যপালৰ চহীৰ কাৰণেই যদি চাৰি পাচ মাহ সময়ৰ দৰকাৰ হয় তেনেহলে ওপৰৰ পৰাই দূৰ্নীতি থকা বুলি অনুমান নহয়নে? ৰাজ্যপালৰ পৰা আৰম্ভ কৰি মন্ত্ৰীসকলকে ধৰি তললৈকে দূৰ্নীতি সোমাই গৈছে।

অধ্যক্ষ মহোদয়, ৰাজ্যপাল মহোদয়ে বানপানীৰ কথালৈ আলোচনা কৰিছে। এই সংক্ৰান্তত ৰাজ্যপাল মহোদয়ে অসমত হোৱা বানপানীৰ বিষয়ে, বিভিন্ন জিলাত হোৱা বানপানীৰ কথা উল্লেখ কৰিছে কিন্তু দৰং জিলাত বানপানী হোৱাৰ কথা উল্লেখ কৰা নাই কিন্তু মই নিজে জানো মোৰ সন্মুখতে এজনী বাৰ বছৰীয়া ছোৱালীৰ মৃত্যু হৈছে। বানপানীত ১৩ জন লোকৰ প্ৰাণ হানি হোৱা বুলি ৰাজ্যপালে উল্লেখ কৰিছে যদিও দৰং জিলাত প্ৰাণহানি হোৱা সকলৰ কোনো উল্লেখ কৰা নাই।

কিন্তু দৰং জিলাৰ কথা ইয়াত উল্লেখ কৰা নাই। অসমৰ আন ঠাইত যি দৰে বানপানী হয় দৰং জিলাতো কোনো গুনে কম বানপানী নহয়। দৰং জিলাৰ মানুহেও বানপানীৰ ছুভোগত ভুগিবলগীয়া হয়।

অধ্যক্ষ মহোদয়, মই ৰাজ্যপালৰ ভাষণ খন এখন পুস্তিকা বুলি আগতেই কৈ আহিছো ধুনীয়া ভাষাৰে লিখা হৈছে। যি বিলাক তুৰ্দ্দশাগ্ৰস্ত কৃষক, সাধাৰণ কৃষক শ্ৰেনী, সৰ্বহাৰা শ্ৰেণী, সেই শ্ৰেণীটোৰ কাৰণে কি ভুমিকা গ্ৰহণ কৰা হব এই বিলাক কথা ৰাজ্যপালৰ ভাষণত উল্লেখ নাই। যি বিলাক শিক্ষিত নিবনুৱা আছে তেওঁলোকৰ কাৰণে কোনো নিৰ্দ্দিষ্ট ভুমিকা নাই। চৰকাৰে কেইখনমান অটোৰিক্সা কিনি দি, বা ৰাজধানী নমাই অনাৰ নামত ইঞ্জিনীয়াৰ বিএ, এম এ পাচ ল'ৰা বিলাকক কাম কৰিবলৈ লগাই দিলেই নিবনুৱা সমস্যাৰ স্থায়ী সমাধান হব নোৱাৰে। এই বিলাকে আমাৰ উঠি অহা ডেকা ল'ৰা বিলাকক পঙ্গু কৰি পেলাইছে। তেওঁলোকক স্থায়ী ব্যবস্থা দিব নোৱাৰে, নিবনুৱা সমস্যা সমাধানৰ কাৰণে কোনো নিৰ্দ্দিষ্ট আচনি দিব নোৱাৰে। এই দৰে হলে আমাৰ নিবনুৱা সমস্যা সদায় জটিল হৈ গৈহে থাকিব।

অধ্যক্ষ মহোদয়, আজি বস্তুৰ দাম বাঢ়ি গৈছে। অথচ কৃষকৰ কথা, মাটিৰ কথা, ভূমিহীন মানুহক ভূমি দিয়াৰ কথা ৰাজ্যপালৰ ভাষণত উল্লেখ নাই। আজি শতকৰা ৬৬ ভাগ মানুহ ভূমিহীন। এই মানুহ বিলাকক মাটি দিব নোৱাৰে, খেতি কৰাৰ ব্যৱস্থা দিব নোৱাৰে তেনেহলে মানুহৰ আৰ্থিক অৱস্থা

কেনেকৈ টনকিয়াল হব ? আজি মানুহক মাটি দিব পৰা নাই কিন্তু ২২ হাজাৰ কৃষকক উচ্ছেদ কৰিছে। তেওঁলোকৰ কাৰণে আন কোনো ব্যৱস্থাৰ কথা ৰাজ্যপালৰ ভাষণত নাই। এই বিলাক মানুহ মাঠাউৰী বা গোপাচাৰ বিলাকত ৰহিছে, কোনোবাই জংঘলত বহিছে। এই বিলাক ১৯৬৬ চনতেই উচ্ছেদ কৰা মানুহ। তেওঁলোকক যেতিয়ালৈকে মাটি দিব নোৱাৰে তেতিয়ালৈকে তেওঁলোকৰ অৱস্থা টনকিয়াল কৰাটো আমি আশা কৰিব নোৱাৰো। আৰু এই সকলৰ অৱস্থা এনেকৈ থাকিলে দেশৰ অৱস্থা কেনেকৈ টনকিয়াল হব ? দেশৰ অৱস্থা টনকিয়াল কৰিব নোৱাৰিলে চৰকাৰ তিষ্ঠি থাকিব নোৱাৰিব।

অধ্যক্ষ মহোদয়, কৃষিৰ কথা। ১৯৭২ চনতেই ৰবিশষ্যৰ আচনি লোৱা হ'ল। কিন্তু তাৰ প্ৰথম বছৰতে শতকৰা ৯০ টকা হিচাবে মানুহে আলু, ঘেহুৰ বিজ কিনিব লগীয়া হ'ল। কৃষক সকলে পইচা লৈ আহিও বীজ কিনিব নোৱাৰিলে। ১৯৭২ চনত ৰবিশস্যৰ আচনি মানুহক চিনেমা দেখুৱাৰ দৰে দেখুৱালে। আৰু যি সময়ত বীজ বিলাক দিব লাগিছিল সেই সময়ত দিব পৰা নাছিল। সাধাৰণতে নভেম্বৰ মাহৰ ১৫ তাৰিখৰ ভিতৰত ঘেহু আলুৰ বীজ নি খেতি কৰিব লাগে। কিন্তু ১৫ ডিচেম্বৰ মানত আলু বা ঘেহুৰ বিজৰ যোগান ধৰিলে জনসাধাৰণৰ কি লাভ হব। কিন্তু সেই বিলাক পিচত বিক্ৰী কৰিলে যদিও তাৰ কোনো হিচাব নাই। কিছুমান পেলাই দিলে আৰু কিছুমান বীজ গাত খাণ্ডি পোতি থলে। এতিয়া চৰকাৰে কৈ আহিছে যে ইমান ইমান বীজ বিতৰণ কৰা হ'ল। এই দৰে চলিলে চৰকাৰে যি বিলাক আচনি আছে তাৰ দ্বাৰা কোনো কাম নহব। এই বিজ বিলাক যি বিলাক বান বিধ্বস্ত মানুহ, দুখীয়া কৃষক তেওঁলোকক দিবৰ কাৰণে দিয়া হৈছিল। কিন্তু এই বিলাক খেতিয়কে নাপালে। এই দৰে চলি থাকিলে আমাৰ আৰ্থিক অৱস্থা কেতিয়াও টনকীয়াল হব নোৱাৰে। চৰকাৰে কিবা আচনি ললেও সেই বিলাক ঠিক ভাবে পৰিচালিত কৰিব নোৱাৰিব তাৰ ফলত দেশৰ একো উন্নয়ন নহব আৰু কৃষক সকল সদায় জুৰুলা হৈয়ে থাকিব।

সমবায়ৰ কথাও একে ধৰণেৰেই কোৱা হৈছে যিকেইখন মান সমবায়ে ১০ হাজাৰ কৈ টকা তুলি দিছে। এই ক্ষেত্ৰত চৰকাৰে আশা দেখুৱাই কৈছিল আৰু কৰ্মচাৰী সকলেও কৈছিল যে তেওঁলোকক পানী যোগানৰ ব্যৱস্থা,

বজাৰৰ ব্যৱস্থা আদি সকলো বিলাক ব্যৱস্থা কৰি দিব কিন্তু এতিয়ালৈকে তাৰ কোনো ব্যৱস্থা কৰা নাই। এই বিলাক ঠিক মতে কৰিব নোৱাৰাৰ ফলত ৰাইজে বস্তু বাহানী নোপোৱা হ'ল, মিঠাতেল ২৮ টকা হ'ল, চেনিৰ ৫ টকা হ'ল। এই দৰে দাম বাঢ়ি গ'ল। গোৱালপাৰা আৰু উত্তৰ কামৰূপত ধানৰ মোনে ৪০ টকাকৈ বিক্ৰী হৈছে। এফ চি আই বা সমবায়ে এই বিলাক কিনিব পৰা নাই। ৪০ মোনকৈ বাহিৰা বেপাৰী বিলাকে এই বিলাক কিনি বাহিৰলৈ পঠাইছে। এই ব্যৱস্থা ৰোধ কৰিবৰ কাৰণে চৰকাৰে একো ব্যৱস্থা হাতত লোৱা নাই। বোকাখাটৰ সমবায় সমিতিৰ চেয়াৰমেন জনে ১০ হাজাৰ টকা তুলি দিছে। কিন্তু তেখেতে নিজে ব্যক্তিগত ভাবে তাৰ কাম কাজত নিৰাশ হৈ ৰিজাইন দিয়াৰ কথা ভাবিছে। এই কথা কাগজত প্ৰকাশ পাইছে। মানুহ বিলাকে আজি সমবায়ক ধান নিদিয়াৰ কাৰণ হ'ল চৰকাৰে কোনো দিনেই আচনি লৈ তাক কাৰ্য্যকৰী কৰিব পৰা নাই। যিটো কনট্ৰলৰ ব্যৱস্থা কৰিলে তাৰো অৱস্থা নোহোৱা হ'ল। জনসাধাৰণে এতিয়া ধৰি লৈছে যে পিচলৈ চাউলৰ দাম আঢ়ৈ টকা আৰু ধানৰ দাম ১২০ টকা হব। এইটো কাৰণতেই মানুহে সমবায়ক ধান নিদিয়ে।

অধ্যক্ষ মহোদয়, বান নিয়ন্ত্ৰনৰ কথা। গোটেই অসম আজি জুৰুলা। ব্ৰহ্মপুত্ৰ কনট্ৰল কমিচন গঠন কৰা হ'ল। মুখ্যমন্ত্ৰীয়ে আগতে ব্যক্ত কৰিছিল যে ব্ৰহ্মপুত্ৰ কনট্ৰল কমিচন ভাৰত চৰকাৰে লব। কিন্তু এতিয়া আকৌ মুখ্যমন্ত্ৰীয়ে ব্যক্ত কৰিছে যে ব্ৰহ্মপুত্ৰ কনট্ৰল কমিচন ভাৰত চৰকাৰে লোৱাটো স্বীকাৰ কৰা নাই। আৰু আনহাতে যি ছুটা ড্ৰেজাৰ কিনিছিল সেই ছুটা চলাবলৈ ইঞ্জিনিয়াৰ নাই। এতিয়া তাৰ অংশ মানুহে দা কটাৰি কৰিবলৈ নিব ধৰিছে। এই ব্যৱস্থাৰে ব্ৰহ্মপুত্ৰ কেতিয়াও আৰু খণ্ডা নহব। এই ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰনৰ কথা ৰাজ্যপালৰ ভাষণত উল্লেখ কৰা নাই। এই দৰে ৰাইজক প্ৰবঞ্চনা কৰি কাম কৰিলে ৰাইজৰ আশা আকাংখা পুৰণ হব নোৱাৰে। আৰু এটা কথা ৰাজ্যপালৰ ভাষণত উল্লেখ কৰা হৈছে যে জলসিঞ্চনৰ সুবিধাৰ বাবে ৫ হাজাৰ বাহৰ নলী নাদ বহুৱা হৈছে। অধ্যক্ষ মহোদয়, এই ৫ হাজাৰ নলী নাদ কত বহুৱা হৈছে সেইটো মই মুখ্যমন্ত্ৰীৰ পৰা বিশেষ ভাবে জানিব খুজিছো। আমি জনাত ৩৫ টা নলী নাদ বহুউৱাৰ কথা আছিল তাৰ ভিতৰত ২২ টা এতিয়ালৈকে বহুউৱা হৈছে যদিও পানী উলিয়াব পৰা নাই।

তেনেস্থলত এই ৫ হাজাৰ নলীনাদ কত বহুৱাইছে সেই কথা মই জানিব খুজিছো। এইটোও মই কব খ্‌জিছো যে এই বিলাক খেতিয়কৰ সুবিধাৰ কাৰণে বহুৱা হোৱা নাই।

অধ্যক্ষ মহোদয়, অসমত এতিয়াও বহুত উদ্যোগ গঢ়ি উঠিব পৰা অৱস্থাত আছে। অসমখন বনজসম্পদ বা প্ৰাকৃতিক সম্পদৰ ভাণ্ডাৰ হৈ আছে। তথাপিও আমাৰ ৰাজ্যপালৰ ভাষণত নতুন উদ্যোগৰ কাৰণে কোনো আচনি কৰাৰ কথা উল্লেখ নাই। কিন্তু যেতিয়ালৈকে অসমত উদ্যোগ স্থাপন কৰা নহয় তেতিয়ালৈকে নিবনুৱা সমস্যা সমাধান কৰা সম্ভৱ নহয়। গতিকে এতিয়ালৈকে চৰকাৰে উদ্যোগৰ ক্ষেত্ৰত কোনো স্থায়ী ব্যৱস্থা হাতত লব পৰা নাই। গতিকে মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই নিবনুৱা সমস্যা সমাধান আৰু বানবিধ্বস্থ আৰু গৰা খহনীয়া ভুমিহীন কৃষকৰ বাবে কি ব্যৱস্থা কৰিছে উত্তৰ দিব পাৰিবনে? অসমৰ শতকৰা ৮০ ভাগ মানুহ খেতিয়ক। তেওঁলোকৰ আৰ্থিক উন্নতিৰ কাৰণে আৰু অসমৰ কৃষি উন্নয়নৰ কাৰণে কি কি ব্যৱস্থা হাতত লৈছে আৰু কি ধৰণে কৰা হব সেইবিষয়ে আমাক জনাব লাগে।

অধ্যক্ষ মহোদয়, অ'ত ত'ত দূৰ্নীতি হোৱাৰ কথা শুনিছো। আমাৰ মাননীয় সদস্য শ্ৰী মতী বৰকটকী, শ্ৰী ভট্টাচাৰ্য্য আৰু শ্ৰী খাউণ্ড ডাঙৰীয়াই গোটেইবিলাক দূৰ্নীতিৰ কথাকেই উল্লেখ কৰিলে। গতিকে তাতোকৈ বেছি কব লাগিব বুলি মই নাভাবো। কিন্তু ইমানবিলাক দূৰ্নীতি থকা স্বত্বেও চৰকাৰে তাক নিবাৰণ কৰিবৰ কাৰণে কোনো ব্যৱস্থাই নকৰিলে। সৰ্বসাধাৰণ ৰাইজৰ কাৰণে কোনো আচনি তৈয়াৰ নহল এনে বিলাক কথা শুনি আচৰিত লাগে।

অধ্যক্ষ মহোদয়, আজি তেলৰ দাম কিয় বাঢ়িবলৈ পালে? ৰবিশস্যৰ আচনি লোৱাৰ কাৰণেই এনেকুৱা হ'ল। মাজুলীত মিঠাতেলৰ লিটাৰত ২৮ টকা দি কিনি খাব লগীয়া হ'ল, অথচ মাজুলীতেই আটাইতকৈ সৰিয়হৰ খেতি বেছি হয়। যোৱা বছৰ আটা-ৰুটি খাবৰ কাৰণে ৰাইজক ঘেহু খেতি কৰিবলৈ অনুৰোধ কৰিলে, কিন্তু সৰিয়হৰ খেতিৰ কৰিণে চৰকাৰে কিয় উৎসাহ দিব নোৱাৰিলে। তাৰ পাছত চাব-ডিভিজনেল প্লেনিং কমিটি কৰিছে।

তেলৰ দাম গৈ ২০।২৫ টকা হল, তথাপি চৰকাৰৰ ফালৰ পৰা দাম নিৰ্দ্ধাৰিত কৰি দিয়াং কোনো ব্যৱস্থা নহল। ডি, চিয়ে এইবিলাকৰ কোনো ব্যৱস্থাকে কৰিব নোৱাৰি চেম্বাৰ অব কৰ্মাচক মাতি আনিলে আলোচনা কৰিবৰ কাৰণে অৰ্থাত উদক ভেটা ৰখীয়া কৰিলে। কাৰণ কনিটিৰ আলোচনাৰ যোগেদি তেওঁলোকক কূটনীতি কৰিবৰ কাৰণে আগতীয়াকৈ খবৰহে দিয়া হয়। এই ধৰণে কমিটিবোৰে আজিলৈকে কোনো কামকেই কৰিব নোৱাৰিলে। আজিলৈ ৪০০, ৫০০ মিঠাতেলৰ টিন অনাৰ ব্যৱস্থা কৰিব নোৱাৰিলে।

মাননীয় অধ্যক্ষ ঃ মাননীয় সদস্যই মিছা, প্ৰবঞ্চনা আদি বহুবাৰ ব্যৱহাৰ কৰিছে।

শ্ৰী ৰামচন্দ্ৰ শৰ্ম্মা ঃ এইটো কেতিয়াবা কেতিয়াৱা ভাষাৰ ক্ষেত্ৰত বৰ ডিগদাৰ হয়।

অধ্যক্ষ মহোদয়, এজন মানুহে কাগজত লিখা কথা এটা পঢ়িবলৈ পাইছিলো। তাত লিখা আছে যে এজন মানুহে ৰাতিপুৱাই মন্ত্ৰী ডাঙৰীয়াৰ ওচৰলৈ আহিল আৰু মন্ত্ৰী ডাঙৰীয়াক কলে মোক আপুনি অলপ চুই দিয়ক। তেওঁ জানিছিল চৰকাৰে যিহতে হাত দিয়ে সেইটোৱেই নাইকিয়া হৈ যায়। গতিকে সেইটো ভাবিয়েই তেওঁ মন্ত্ৰীৰ ওচৰলৈ আহিছিল। আজি এইটোৱেই হ'ল চৰকাৰৰ আচনি সমুহৰ নমুনা উদাহৰণ স্বৰূপে পাইকাৰী ব্যৱসায়, ঘেহু ব্যৱসায়, বাননিয়ন্ত্ৰণ আদি সকলোতে চৰকাৰে ব্যৰ্থ হৈছে। এই খিনিকে কৈ মই মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

শ্ৰী কন্দৰ্প কুমাৰ দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণ প্ৰসঙ্গত অসমৰ ৰাজনীতি অৰ্থনীতি আৰু সমাজনীতিৰ সকলো দিশৰ কথা বিশ্লেষণ কৰিছে। এই বিশ্লষণৰ প্ৰসঙ্গত আমাৰ মাননীয় সদস্যসকলে নানা ধৰণৰ কথাৰ অবতাৰণা কৰিছে।

আচলতে সমালোচনাৰ এটা দিশ আছে, সমালোচনা সাধাৰণতে কি ধৰণে কৰিব লাগে আৰু আমাৰ চৰকাৰে কেনেধৰণৰ কাম কৰিছে সেই সম্পৰ্কে আমাৰ বিৰোধী পক্ষৰ সদস্যসকলে মুঠেই উল্লেখ কৰা নাই। আমাৰ চৰকাৰে

ভবিষ্যতে কি কৰিব লাগিব সেইবিষয়ে ৰাজ্যপালৰ ভাষণত সুন্দৰকৈ ব্যাখ্যা কৰা আছে। কিন্তু তাৰ সমালোচনা যিধৰণে হব লাগে সেই ধৰণে হোৱা নাই। উদাহৰণ স্বৰূপে চৰকাৰে কম সময়ৰ ভিতৰতে আমাৰ ৰাজধানীখন চিলঙৰ পৰা নমাই আনি দিচপুৰত ঘৰ বান্ধি আজি বিধানসভা বহুৱাবলৈ সমৰ্থ হৈছে। ইয়াৰ বাহিৰেও চতুৰ্থ পঞ্চ-বাৰ্ষিক পৰিকল্পনাৰ যিবিলাক ধাৰ আছিল সেইবিলাক শেষ কৰিলে। এইদৰে এটা এটাকৈ যদি পৰিকল্পনাৰ কাম বিলাক সমাধা কৰিব পৰা যায় তেতিয়াহলে আমাৰ ৰাইজৰ নিশ্চয় উন্নতি হব।

আমাৰ মাননীয় সদস্যসকলে উল্লেখ কৰিছে যে অসমৰ উত্তৰ পাৰত বিশেষ প্ৰগতি লাভ কৰিব পৰা নাই। উত্তৰাঞ্চলৰ ৰাইজক আগবঢ়াই নিবৰ বাবে চৰকাৰে যথেষ্ট প্ৰচেষ্টা চলাইছে। আজি কেইবছৰ মানৰ ভিতৰতে আমাৰ অসম চৰকাৰে উত্তৰ পাৰৰ গোৱালপাৰা জিলাত কাগজৰ কল স্থাপন কৰিছে আৰু ইতিমধ্যে কাগজৰ কল আৰু মৰাপাটৰ কল মঙ্গলদৈত হোৱাৰ সম্ভাৱনা আছে। তাৰ বাবে আমাৰ চৰকাৰে প্ৰচেষ্টা চলাই আছে। সেইটো কৃতকাৰ্য্য হলে ভবিষ্যতে অসমৰ ৰাইজ স্বাবলম্বী হব পাৰিব। তাৰোপৰি আমাৰ চৰকাৰে দূৰ্নীতি নিবাৰণৰ ক্ষেত্ৰত যথেষ্ট প্ৰচাৰকাৰ্য্য চলাই আছে। ইতিমধ্যে দূৰ্নীতিত লিপ্ত থকা দুই-চাৰিজন বিষয়াক বৰ্খাস্ত কৰা হৈছে। এইখিনিতে মই এটা কথা কব বিচাৰিছো যে মানবৰ নৈতিক চৰিত্ৰৰ যদি পৰিবৰ্ত্তন নহয়, তেতিয়াহলে চৰকাৰে দূৰ্নীতি নিবাৰণৰ বাবে যিমানেই চেষ্টা নকৰক সফল হব নোৱাৰে।

অলপ আগতে মাননীয় সদস্যা শ্ৰী মতী বৰকটকী ডাঙৰীয়াই তেখেতৰ ভাষণ প্ৰসঙ্গত কৈছে যে অনুসুচীত জাতি আৰু পিচপৰা জাতিৰ উন্নতিৰ কল্পে চৰকাৰে সংবিধানত ঠাই দিছে আৰু সেইমতে যথেষ্টা প্ৰচেষ্টা চলাই আহিছে। কিন্তু এইটো মই স্বীকাৰ কৰিব নোৱাৰো। কাৰণ সংবিধানত ব্যৱস্থা থাকিলেও চৰকাৰে প্ৰচেষ্টা চলোৱা নাই। সংবিধানত ব্যৱস্থা থকা স্বত্বেও চৰকাৰে তাক পালন কৰিববৈলে উচ্ছুক হোৱা নাই। মাত্ৰ আংশিক হিচাবেহে পালন কৰা হৈছে কাৰ্য্যক্ষেত্ৰত একোৱেই নাই। গতিকে কৰ্মচাৰী নিযুক্তিৰ ক্ষেত্ৰত কোন বিভাগত কিমান নিযুক্তি হৈছে আৰু কুটা পৰিপূৰ্ণ

হবলৈ আৰু কিমান বাকী আছে এই সকলো বিলাক অনুসন্ধান কৰি নিযুক্তিৰ ব্যৱস্থা কৰিব লাগে।

আমাৰ মাননীয় সদস্য এজনে কৈছে যে অসম সচিবালয়ৰ পি, ডব্লিউ, ডি বিভাগত কোনোবা দাস নামৰ লোক এজনক অনুসূচীত জাতিৰ বুলি চাকৰিত নিযুক্তি দিছে। তেখেতে ভাষণ প্ৰসঙ্গত সন্দেহ প্ৰকাশ কৰি কৈছে যে অনুসুচীত জাতিৰ লোক নোহোৱা স্বত্বেও সেই লোক জনক নিযুক্তি দিছে। যদি এইটোৱেই হয় তেনেহলে ই বৰ মাৰাত্মক কথা। সেইকাৰণে অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে চৰকাৰক অনুৰোধ কৰিব বিচাৰিছো যে বিধানসভা চলি থকা সময়তেই সেই ল'ৰাজনক অনুসন্ধান কৰিব লাগে যে প্ৰকৃততে অনুসুচীত জাতিৰ হয়নে নহয়। যদি নহয় তেনেহলে এইক্ষেত্ৰত যিজন অফিচাৰ লিপ্ত আছে তেখেতৰ বিৰোদ্ধে শাস্তিমূলক ব্যৱস্থা কৰিব লাগে।

অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যত বস্তুৰ মূল্য কি কাৰণত বৃদ্ধি হৈছে সেইটো চিন্তা কৰিবলগীয়া বিষয়। বস্তুৰ মূল্য বৃদ্ধিয়েই ৰাইজৰ মাজত আতংকৰ সৃষ্টি কৰিছে। অৱশ্যে ইয়াৰ কিছুমান কাৰণ আছে।

আমাৰ নিত্য প্ৰয়োজনীয় যি বিলাক বস্তু সেইবিলাকৰ সৰহভাগেই বাহিৰৰ পৰা আনিব লগা হোৱাত যান-বাহানৰ অসুবিধা হোৱাৰ ফলত আৰু সেই-বিলাক ঠাইত মূল্য বৃদ্ধি হোৱাৰ ফলত আমাৰ মূল্য বৃদ্ধি হৈছে। আনহাতে বেপাৰী সকলে বস্তুৰ দাম বঢ়াবৰ কাৰণে কৃতিম নাটনিৰ সৃষ্টি কৰি জনসাধাৰণক কষ্ট ভোগ কৰাইছে। চতুৰ্থ পৰিকল্পনাৰ কাৰণে যিখিনি টকা আমাৰ চৰকাৰে ধাৰ্য্য কৰিছিল সেই পৰিকল্পনাৰ এইটোৱেই শেষ বছৰ, গতিকে সেই নিৰ্দ্ধাৰিত টকা খিনি যাতে সকলো খৰচ কৰিব পাৰে তাৰ চেষ্টাযেন কৰে।

কৃষিৰ ক্ষেত্ৰত পঞ্চম পঞ্চবাৰ্ষিক পৰিকল্পনাত যথেষ্ঠ গুৰুত্ব দিয়া হব বুলি কৈছিল। কিন্তু বাস্তৱ ক্ষেত্ৰত আমি দেখা পাইছো যে কৃষিক্ষেত্ৰত বৰ বেছি উন্নতি কৰিব পৰা নাই। কৃষি উন্নতিৰ কল্পে যথেষ্ঠ টকা খৰচ কৰা হৈছে। অলপতে বিহাৰ আৰু ইউ পিত দেখি আহিলো যে তাতো নদীৰ পৰা পানী তুলি পথাৰলৈ নিয়া হয়। আমাৰ ইয়াতো একেদৰেই জলসিঞ্চন ব্যৱস্থা কৰা হয়, কিন্তু তুলনামূলক ভাবে চালে দেখা যায় যে আমাৰ ইয়াত জলসিঞ্চনৰ

যথেষ্ঠ সুবিধা আছে। কিন্তু বিহাৰৰ দৰে মৰুভুমি সদৃশ ঠাই এখনত যিদৰে জলসিঞ্চন ব্যৱস্থা কৰা হৈছে আমাৰ ইয়াত তেনে দৰে কৰা হোৱা নাই। জলসিঞ্চনৰ ক্ষেত্ৰত চৰকাৰে যথেষ্ঠ টকা খৰচ কৰিছে, কিন্তু বিষয়া সকলৰ হেমাহিৰ কাৰণে ঠিকভাবে জলসিঞ্চন কৰিব পৰা নাই। যোৱা ২৫ বছৰেও কোনো প্ৰজেক্ট মোৰ সমষ্টিত হোৱা নাই। যোৱাবাৰ বিধান সভাত মোৰ এটা প্ৰশ্নৰ উত্তৰত মন্ত্ৰী মহোদয়ে কৈছিল যে জলসিঞ্চনৰ ব্যৱস্থা কৰা হব। কিন্তু আজি এবছৰেও তাৰ কোনো ব্যৱস্থা কৰা নহল। মন্ত্ৰী মহোদয়ে হয়তো নিৰ্দ্দেশ দিছে কিন্তু বিষয়াসকলে কোনো যথোপযুক্ত ব্যৱস্থা কৰা নাই। বিষয়া সকলে যাতে ঠিকমতে তেওঁলোকৰ কাৰ্য্য পালন কৰে সেই বিষয়ে মই অধ্যক্ষ মহোদয়ৰ যোগেদি মুখ্যমন্ত্ৰীৰ দৃষ্টি গোচৰ কৰিলো।

আইন শৃংখলাৰ ক্ষেত্ৰত কওঁ যে কিছুমান প্ৰতিক্ৰিয়াশীল লোকৰ প্ৰভাবত ঠায়ে ঠায়ে গণ্ডগোল আৰু অশান্তিৰ সৃষ্টি হৈছে। আইন শৃংখলা ঠিকমতে চলিবৰ কাৰণে অসমত পুলিচ বেটেলিয়ান নিৰ্মান কৰা হৈছে আৰু প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থাও কৰা হৈছে বুলি ৰাজ্যপালৰ ভাষণত উল্লেখ কৰিছে। উল্লেখ কৰা মতেই যাতে কাম হয় সেইটো আশা আমি কৰিছো।

নিবনুৱাৰ সংখ্যা যে যথেষ্ঠ বাঢ়িছে সেইটো ঠিক কথা। উদ্যোগ আৰু স্থানীয় লোকৰ প্ৰশিক্ষণৰ জড়িয়তে যাতে এই সমস্যা সমাধান কৰিব পৰা যায় তাৰ ব্যৱস্থা কৰিব লাগে। শিক্ষাৰ ক্ষেত্ৰত চৰকাৰে কিছুমান নিয়ম কৰিছে, বিশেষকৈ কাৰিকৰী শিক্ষাৰ ক্ষেত্ৰত যথেষ্ট গুৰুত্ব দিছে তাৰ প্ৰমান আমি ডিব্ৰুগড়ত খুলিব খোজা পলিটেকনিকেল ইন্সটিটিউচনৰ পৰাই গম পাওঁ। মীন বিভাগৰ ক্ষেত্ৰত আমাৰ চৰকাৰে মীন বিভাগৰ পৰা যথেষ্ট টকা পায়। কিন্তু মীন ফাইলত যথেষ্ঠ আসোৱাহ থকাৰ কাৰণে সেই টকা ঠিকমতে খৰচ কৰিব পৰা নাই। অসমৰ এক শ্ৰেণী মধ্যবিত্ত লোকে সেই টকা হস্তগত কৰি পেলাইছে। ইয়াৰ একমাত্ৰ কাৰণ তাৰ এক মাত্ৰ কাৰণ হ'ল মিনবিভাগৰ আইনত যি বিলাক আসুৱাহ আছে সেই আসুৱাহ বিলাক থকাৰ কাৰণেই এনে ধৰণৰ সুবিধা তেওঁলোকে লৈ থাকিব পাৰিছে। মিন মহল বিলাক অনুসূচীত বিষেশকৈ যি বিলাক মাছ মৰীয়া মানুহ সেই সকলৰ নামত পটাত দিয়া হয়। কিন্তু আইনত আসুৱাহ থকাৰ কাৰণে কিছুমান ধনী,

মধ্যবিত্ত আন সম্প্ৰদায়ৰ মানুহ সোমাই গোটেই লাভাংশ লৈ যায়। লাভত অনুসূচীত সম্প্ৰদায়ৰ মানুহে শতকৰা এক ভাগকৈয়ো নাপায়। গতিকে এই আইন খন চলিত অধিবেশনতে সংশোধন কৰি অনুসূচীত সম্প্ৰদায়ৰ মানুহৰ উন্নতিৰ হকে চিন্তা কৰিবলৈ মই অনুৰোধ জনালো। বনাঞ্চলৰ ক্ষেত্ৰত যেনেকৈ সংৰক্ষণৰ ব্যৱস্থা আছে মিন বিভাগত তেনে ধৰণৰ কোনো ব্যৱস্থা নাই। মিন বিভাগ চৰকাৰৰ ৰাজহ আদায় কৰাত দ্বিতীয়। প্ৰথম হ'ল বন বিভাগ আৰু দ্বিতীয় হ'ল মিন বিভাগ। মিন বিভাগৰ পৰা চৰকাৰে লাখ লাখ টকা বছৰি পায়। তথাপিতো মিন বিভাগৰ ৰক্ষনা বেক্ষনৰ ব্যৱস্থা চৰকাৰে কৰা নাই। মিন বিভাগৰ ৰক্ষনা বেক্ষন কৰাৰ ব্যৱস্থা কৰিবলৈ মই চৰকাৰক অনুৰোধ জনালো।

মিঃ ডেঃ স্পীকাৰঃ আপোনাক আৰু কিমান সময় লাগিব?

শ্ৰী কন্দৰ্প দাসঃ বেচি সময় নালাগে।

উপাধ্যক্ষ মহোদয়, কংগ্ৰেছ চৰকাৰে শাসন কাৰ্য্য চলাই অহা আজি ২৫ বছৰৰ বেচি হ'ল যদিও বৰ্ত্তমান চৰকাৰে শাসন চলোৱা দুই বছৰেই পুৰ হোৱা নাই। এই দুই বছৰৰ ভিতৰত আমাৰ চৰকাৰে কিছুকামত আগবাঢ়ি গৈছে। আৰু বেচি আগবাঢ়িব নোৱাৰাৰ কাৰণ হয়তো হব পাৰে যে এই চৰকাৰে ৰাজধানী চিলঙৰ পৰা ভৈয়ামলৈ নমাই আনিছে যদিও এতিয়াও ভাল দৰে থানথিত লাগিব পৰা নাই। আশা কৰিছো যে দুই এমাহৰ ভিতৰতে সকলো বিলাক থানঠিত লাগিলে চৰকাৰে আৰু কামত আগবাঢ়ি যাব পাৰিব। এই চৰকাৰে জনসাধাৰণক যি বিলাক প্ৰতিশ্ৰুতি দি আহিছে সেই বিলাক ৰূপায়িত কৰিব নোৱাৰিলেও এতিয়ালৈকে যি খিনি হাতত লৈছে সেই খিনি যাতে কাৰ্যকৰী কৰিব পাৰে, তাকে আশা ৰাখি ৰাজ্যপালক তেখেতৰ ভাষণৰ বাবে ধন্যবাদ জনাই মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Shri Balabhadra Das : Mr. Deputy Speaker, Sir, In support of the address of the Governor I would like to say that this address of the Governor has been attacked from the Opposition and from outside. Sir, this is an occasion

not for acceptance or rejection of the address of the Governor ; it is only an occasion for discussion of the address. Here a democracy has been functioning and in a democracy the Opposition has a very valuable role to play in this House and the Opposition has manifold duty to help the Government. Sir, democracy also functions with the help of the officials working under the Government. To-day this limb of the Government has been criticised from the Opposition and also from our side for its failure. One thing my friends in the Opposition should remember that Assam is very rich in natural resources, if not richest in the whole country, and my friends in the Opposition will also agree that this is a very backward State. (A voice : Is it a credit ? ) For the backwardness of our State it is a credit or discredit not only for the Congress but for the Oppsition as well. Being the inhabitants of this State all of us will share the credit for this backwardness. Sir, our Government has made several plans and schemes for the betterment of our State. When there was scarcity of food our Government decided to start Farming Corporations and I think it was right and if the Opposition would have been in power they would also have formulated certain schemes for increasing the production. Of course, there has been some failure somewhere and some people are not doing their job. To-day the Land reform Act is there under which thousands of bighas of land are to be acquired from various sources. If the Government would have pursued the Act in a competent way then there would have been enough land. But to judge the competency

of the Government it is not the monopoly of the Opposition ; some activities of the Government have also been criticised from this side of the House also. Government is not a thing that Shri Sarat Chandra Sinha can run it single-handed. He has put certain people in charge of certain things and if for certain officials some of our schemes have failed, then it is the responsibility of the entire House to find out ways and means and to put a proper person in charge of the job so that we may get the best service.

Sir electricity was a necessity for this State and nobody can deny that. But because of its functioning we have already lost Rs. 55 crores, and there is another danger signal for the Government. With the separation of Meghalaya from Assam we may be saddled with some more liabilities and we are to think collectively how we can tide over the difficulty.

Sir, the Opposition has cautioned the Government that in the Municipal Corportion election the people have given verdict that the Congress is gradually losing the faith of the people. Sir, my friends in the Opposition shall also have to search their own heart and see their own position. Out of 33 seats the Congress has got 1/3rd seats, 11 seats, the Socialist Party has got 1, C. P. M. 2 and C. P. I. 3 and independents 16. Sir, this is a very unhealthy sign. If the people has lost faith in the Congress, it has also lost faith in other political parties. Sir, I have regards for all the politiical parties because all

political parties have certain defined principles, so also the Congress. When people vote for independents, there is an indication of anarchy because the independent candidates have different views and outlook and each one will follow different principles. Sir, history tells us that after anarchy is there, it is followed by dictatorship and the situation goes from bad to worse. Therefore, it is high time that all the political parties, including Congress, should keenly observe the situation and find out ways and means as to how to do something for the good of the country. Sir, in this connection I would refer to a very valuable statement by the eminent scholar, Dr. Moheswar Neog in Mangaldoi session of Sahitya Sabha. Dr. Neog made a strong plea for harnessing the process of integration, development and peace in the entire north-eastern region. He rightly defined the role of writers as follows :

"An empty bellied culture either is insipid or verges on death. When a great number of people in the country have to cry in dire need of bread and a piece of cloth, music and literature become derisive like emperor Nero's fidelling. There is social responsibity of the writers in the removal of poverty. We have attained political freedom 26 years ago. But we are yet to have our economic freedom, the basic freedom to live. But I feel that we as people have the right and responsibility of economically liberating ourselves and our country. We the writers have to rouse the consciousness of the people, to the need for action of producing our own food and other necessities,

because our writing is meaningless to the hungry ears." Sir, this learned professor expressed the whole thing that as we have the right we have also the responsibility. To me Sir, this is one of the solution. In this House we are criticising the Government that the people have not been given the rights. But Sir, along with right we have also some responsibility to perform and we should search our heart that after becoming independent 26 years ago whether we have discharged the responsibility to the mother land. We should not always be consious of our rights but we should know our responsibilities to the country. We are a free people like Russians and Americans and if we discharge our responsibility we shall not be required to bring food from Russia or America. This should be the attitude. I appeal to the hon'ble members to extend their co-operation in this regard. My friends know that Assam was in the verge of Grouping. But who saved Assam from that Grouping ? It was not the Congress people alone. It was the joint efforts of whole people of the State and for Government had to pay a compensation of about 49 lakhs because the party could manage to get it fraudulently. So the position being so Government's hopes of giving land to the landless people were belied. This is due to Govt. machinery. You will agree Sir, that when Government spent 7 crores last year............

Shri Dulal Chandra Barua : May I have one clarification.

Does the hon'ble member separates Government machinery from the Government ?

Shri Balabhadra Das : I am thankful to the hon'ble member. By machinery I mean the Government machinery. But one machinery which is under certain person or head of department it is a department. So it is due to the lapses of some persons in the helm of affairs we had to suffer.

Shri Dulal Chandra Barua : Does he suggest to the Chief Minister that he should put some competent people there ?

Shri Giasuddin Ahmed : May I have another clarification Sir ? The sum and substance of the speech of the hon'ble member should we take like that, that the Chief Minister should take some more competent members in the Cabinet ?

Shri Balabhadra Das : Sir, at the out set I said that defects are there and taking of more member in the Cabinet may or may not solve the problem. There are problems and the person in the helm of affairs in their respective departments are responsible for not properly implementing the policies of the Government because of some lacunae. With these few words Sir, I conclude my speech.

Mr. Deputy Speaker : The House stands adjourned till 10 a. m. tomorrow the 12th February, 1974.

## ADJOURNMENT

The House rose at 5 P. M. and stood adjourned till 10 A. M. on 12 th February, 1974.

Shri P. D. Barua<br>
Secretary<br>
Legislative Assembly<br>
11.2.74

Dated, Dispur<br>
The 11 th February, 1974.